
# অন্বেষণ

প্ৰথম বছৰ ■ দ্বিতীয় সংখ্যা ■ মাৰ্চ, ২০১৪









ড° মৃণাল মিৰি

মালালা ইউচুফজাই

দালাই লামাৰ অসম ভ্ৰমণ

কলম্বচৰ আমেৰিকা আৱিষ্কাৰ

সঘনাই মনলৈ অহা প্ৰশ্ন



SEOUL
ICM
2014

গণিতজ্ঞৰ আন্তঃৰাষ্ট্ৰীয় মহাসভা, ২০১৪ৰ ল'গ', প্ৰসংগ পৃষ্ঠা ২৮



কুম্ভমেলা, প্ৰসংগ পৃষ্ঠা ২৬



সত্য নাডেল্লা, প্ৰসংগ পৃষ্ঠা ৭



অস্কাৰ বঁটা, প্ৰসংগ পৃষ্ঠা ২৯



টাৱাং মনেষ্ট্ৰি, প্ৰসংগ পৃষ্ঠা ২৬

# অন্বেষণ

**প্ৰথম বছৰ, দ্বিতীয় সংখ্যা, মাৰ্চ, ২০১৪ চন**

## সূচীপত্ৰ

২ **অসমৰ গৌৰৱ : মাধৱদেৱ বঁটা-প্ৰাপক বিশিষ্ট শিক্ষাবিদ ড° মৃণাল মিৰি**
■ পংকজ কুমাৰ বৰা
৩ **দেশ-বিদেশৰ খবৰ**
■ সংগ্ৰহ : কুশল গোস্বামী
৭ **মাইক্ৰ'চফ্‌টৰ নতুন কাৰ্যবাহী বিষয়া সত্য নাডেল্লা**
■ গোপেন বৰ্মন
৮ **খবৰৰ লেচেৰি বোটলা**
■ সংগ্ৰহ : জয়ন্ত ডেকা
৯ **প্ৰকৃতি : অসমৰ কেইবিধমান উদ্ভিদ**
■ উদয়া ফুকন
১০ **বিশেষ নিবন্ধ : অদম্য প্ৰেৰণাৰ উৎস মালালা ইউচুফজাই**
■ ঋতুৰাজ ডেকা
১১ **ৰাজনীতি : ভাৰতবৰ্ষৰ ৰাজ্যসমূহৰ বিষয়ে কিছু কথা**
■ প্ৰণীতা দেৱী
১৩ **বৰেণ্য ব্যক্তি**
১৪ **কুইজ**
■ ধ্ৰুৱ শৰ্মা
১৫ **সাময়িক প্ৰসংগ : ৰাজ্যসভাৰ নিৰ্বাচন**
■ ৰুণিমা শৰ্মা
১৬ **সাহিত্য : অসমৰ সাহিত্যক্ষেত্ৰৰ উল্লেখযোগ্য বঁটা-বাহন**
■ লিপিমণি দত্ত
১৮ **বিজ্ঞান বাৰ্তা**
■ অভিজিত শৰ্মা বৰুৱা
২১ **বুৰঞ্জী : অসম বুৰঞ্জীৰ কেইটামান উল্লেখযোগ্য চৰিত্ৰ**
■ সোণালী গগৈ
২২ **শীতকালীন অলিম্পিক**
২৩ **মানসিক সামৰ্থ্য বিকাশ**
■ ৰবীন্দ্ৰ বৰ্মন
২৫ **ঠাইৰ চিনাকি : ৰচ আইলেণ্ড**
■ সংগীতা দাস
২৬ **কি, ক'ত, কিয় বিখ্যাত**
২৭ **চুড'কু**
২৮ **গণিতৰ জগত : গণিতজ্ঞৰ আন্তঃৰাষ্ট্ৰীয় মহাসভা, ২০১৪**
■ হিৰণ্য কলিতা
২৯ **সংস্কৃতি : অস্কাৰ পুৰস্কাৰ**
■ কমলজ্যোতি ডেকা
৩০ **বিশ্ব ইতিহাস : নতুন পৃথিৱীৰ সন্ধানত 'খ্ৰিষ্টফাৰ কলম্বচ'**
■ গায়ত্ৰী শইকীয়া
৩১ **সঘনাই মনলৈ অহা প্ৰশ্ন**
৩২ **ক্ৰীড়াংগন**
■ পলাশ কুমাৰ নাথ

**সহযোগী সম্পাদক**
পংকজ দত্ত
**সহকাৰী সম্পাদক**
প্ৰাঞ্জল তালুকদাৰ
ঋতুৰাজ ডেকা
**ব্যৱস্থাপনা**
দিলীপ কুমাৰ দত্ত চৌধুৰী
**মূল্য : বিছ টকা**
**অংগসজ্জা আৰু বেটুপাত**
কুঞ্জৰ দাস
**ডিটিপি**
প্ৰশান্ত বৰঠাকুৰ
অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ শ্ৰীদিলীপ কুমাৰ দত্তচৌধুৰীৰদ্বাৰা প্ৰকাশিত
আৰু অবৈতনিক সচিব ডাঃ নাৰায়ণ শৰ্মাৰদ্বাৰা সম্পাদিত; অজাবি ন্যাসৰ ছপাশাল,
অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত শ্ৰীপ্ৰণৱ শৰ্মাৰদ্বাৰা মুদ্ৰিত।

# মাধৱদেৱ বঁটা-প্ৰাপক বিশিষ্ট শিক্ষাবিদ ড° মৃণাল মিৰি

■ পংকজ কুমাৰ বৰা



ৰাজ্যসভাৰ সাংসদ তথা বিশিষ্ট শিক্ষাবিদ ড° মৃণাল মিৰিক ২০১৩ বৰ্ষৰ শ্ৰীশ্ৰীমাধৱদেৱ বঁটাৰে অসম চৰকাৰে সন্মানিত কৰিছে। ড° মিৰিৰ জন্ম হৈছিল ছিলঙৰ খাচি পাহাৰ জিলাত ১৯৪০ চনৰ ১ আগষ্টত। তেখেতৰ পিতৃ আছিল স্বৰ্গীয় মহিচন্দ্ৰ মিৰি আৰু মাতৃ বিদুষী মহিলা ইন্দিৰা মিৰি।

সৰুৰেপৰা মেধাৱী মৃণাল মিৰিয়ে কলকাতা বিশ্ববিদ্যালয়, দিল্লী বিশ্ববিদ্যালয় আৰু কেমব্ৰিজ বিশ্ববিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিছিল। ১৯৬৬ চনত কেমব্ৰিজ বিশ্ববিদ্যালয়ৰপৰা দৰ্শন বিভাগত স্নাতক ডিগ্ৰী লোৱাৰ উপৰিও ১৯৭০ চনত কেমব্ৰিজ বিশ্ববিদ্যালয়ৰপৰাই সন্মানীয় ডক্টৰেট ডিগ্ৰী লাভ কৰে। বিদেশৰপৰা সুখ্যাতিৰে শিক্ষা গ্ৰহণৰ অন্তত তেখেতে ১৯৭০ চনৰপৰা ১৯৭৪ চনলৈ দিল্লী বিশ্ববিদ্যালয়ৰ অধীনস্থ ছেইণ্ট ষ্টিফেন কলেজত দৰ্শন শাস্ত্ৰৰ প্ৰবক্তা হিচাপে কাম কৰে। তদুপৰি ১৯93 চনৰপৰা ১৯৯৯ চনলৈ ইণ্ডিয়ান ইনষ্টিটিউট অৱ এডভান্স ষ্টাডিজৰ সঞ্চালক, ১৯৯৪ চনৰপৰা ১৯৯৭ চনলৈ তেখেত ইণ্ডিয়ান কাউন্সিল অব ফিল'চফিকেল ৰিচাৰ্ছৰ অধ্যক্ষ, ২০০০ চনৰপৰা ২005 চনলৈ নৰ্থ ইষ্টাৰ্ণ হিল ইউনিভাৰ্ছিটিৰ (নেহু) উপাচাৰ্য, ২০০৭-২০১২ চনত অৰুণাচল প্ৰদেশৰ ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, ২০১২ চনৰ জুলাইত ৰাষ্ট্ৰীয় উপদেষ্টা পৰিষদৰ সন্মানীয় সদস্য হিচাপেও মনোনীত হয়। ভাৰতবৰ্ষৰ এগৰাকী আগশাৰীৰ শিক্ষাবিদ হিচাপে কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে তেখেতক পদ্মভূষণ সন্মানেৰে সন্মানিত কৰিছে।

উল্লেখ্য যে, উত্তৰ-পূব ভাৰতৰ সুযোগ্য সন্তান ড° মৃণাল মিৰিক ২০১২ চনত ভাৰতৰ ৰাষ্ট্ৰপতিয়ে ৰাজ্যসভাৰ সদস্য হিচাপে মনোনীত কৰে। তেখেতে ৰচনা কৰা আৰু সম্পাদনা কৰা গ্ৰন্থসমূহ হ'ল—

(১) Identity and Moral Life
(২) Dharma : The Categorical Imperative (সম্পাদিত)
(৩) Linguistic Situation in North East India.
(৪) Continuity and Change in Tribal Society.
(৫) Fire Essays on Kant (সম্পাদিত)
(৬) Philosophy of Psychoanalysis
(৭) The Partings (অনুবাদ গ্ৰন্থ)

ইয়াৰ উপৰিও দেশৰ আগশাৰীৰ আলোচনীত তেখেতৰ বহু প্ৰবন্ধ প্ৰকাশ পাইছে। লগতে শিক্ষা আৰু সাহিত্য সম্পৰ্কীয় বহুতো সভাত তেখেতে ভাৰতক প্ৰতিনিধিত্ব কৰিছে।

উল্লেখ্য যে ৰাজ্য চৰকাৰে ২০০৯ চনৰপৰা মাধৱদেৱ বঁটা প্ৰদান কৰি আহিছে। এই বঁটাৰ লগত আছে নগদ ৩ লাখ টকা আৰু প্ৰশস্তি-পত্ৰ। লখিমপুৰ জিলাৰ বিহপুৰীয়াৰ মাধৱক্ষেত্ৰত আয়োজন কৰা এক বৰ্ণাঢ্য অনুষ্ঠানত ড° মৃণাল মিৰিক আনুষ্ঠানিকভাৱে এই বঁটা প্ৰদান কৰা হয়। ❍

## তোমালোকে জানানে?

- মানুহৰ শৰীৰত থকা সকলোবোৰ তেজৰ নলী (শিৰা আৰু ধমনী) যদি চিধাকৈ টানি লোৱা হয়, তাৰ দৈৰ্ঘ্য হ'ব প্ৰায় ১ লাখ মাইল।
- mtৰে শেষ হোৱা একমাত্ৰ ইংৰাজী শব্দটো হৈছে dreamt।

## বিশ্বৰ আটাইতকৈ দীঘল পাইপলাইন স্থাপন কেয়াৰ্ন ইণ্ডিয়াৰ

থৰ মৰুভূমিৰ মাজেৰে বিশ্বৰ আটাইতকৈ দীঘল তেল পৰিবাহী পাইপলাইন স্থাপন কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে কেয়াৰ্ন ইণ্ডিয়াই। কম সময়ৰ ভিতৰতে জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হোৱা কেয়াৰ্ন ইণ্ডিয়াৰ এই কাৰ্য ইতিমধ্যে নেছনেল জিয়'গ্ৰাফি চেনেলত ৩০ মিনিট সময় ধৰি সম্প্ৰচাৰিত হৈছে।

## মিষ্টাৰ ইউনিভাৰ্ছ খেলিব অসম আৰক্ষীৰ নিৰঞ্জন কুমাৰে

২০১৪ বৰ্ষৰ ২১ জুনত দক্ষিণ কোৰিয়াৰ ছিউলত অনুষ্ঠিত হ'বলগীয়া ৱৰ্ল্ড ফিটনেছ ফেডাৰেচনৰ (W.F.F.) মিষ্টাৰ ইউনিভাৰ্ছত যোগদানৰ বাবে ভাৰতৰপৰা নিৰ্বাচিত হৈছে অসম আৰক্ষীৰ বিশেষ শাখাৰ চাকৰিয়াল নিৰঞ্জন কুমাৰ। নাবা আৰু ডব্লিউ এফ এফৰ ভাৰতীয় কাৰ্যালয়ে তেওঁক এই প্ৰতিযোগিতাৰ বাবে নিৰ্বাচন কৰিছে। অসম আৰক্ষী আৰু নাবাৰ সহায় আৰু সমৰ্থনত বৰ্তমান তেওঁ পূৰ্ণগতিত প্ৰস্তুতি চলাই আছে।

## তেলেংগানা বিধেয়ক গৃহীত

বহুদিনীয়া বিতৰ্ক আৰু জল্পনা-কল্পনাৰ অন্ত পেলাই এক হুলস্থূলীয়া পৰিবেশৰ মাজত যোৱা ১৮ ফেব্ৰুৱাৰি তাৰিখে লোকসভাত পৃথক তেলেংগানা ৰাজ্য সৃষ্টি বিষয়ক বিধেয়কখন গৃহীত হয়। দুদিন পিছত ২০ ফেব্ৰুৱাৰি তাৰিখে উচ্চসদন ৰাজ্যসভাতো ধ্বনি ভোটত এই বিধেয়কখন গৃহীত হয়। পৰৱৰ্তী সময়ত ৰাষ্ট্ৰপতিৰ অনুমোদন পালে তেলেংগানা ভাৰতবৰ্ষৰ ২৯তম ৰাজ্যৰূপে স্বীকৃত হ'ব। তেলেংগানা ৰাজ্য সৃষ্টিৰ বিৰোধিতা কৰা অন্ধ্ৰপ্ৰদেশৰ সাংসদ আৰু কেইটামান বিৰোধী দলৰ প্ৰতিবাদৰ মাজতে লোকসভাত মৌখিক ভোটত কোনোধৰণৰ আলোচনা নোহোৱাকৈয়ে অন্ধ্ৰপ্ৰদেশ পুনৰ্গঠন বিধেয়ক, ২০১৩ খন গ্ৰহণ কৰা হয়। কেন্দ্ৰীয় গৃহমন্ত্ৰী সুশীল কুমাৰ সিন্দেই বিধেয়কখন গৃহীত কৰাত আগভাগ লয় আৰু বিৰোধী পক্ষই অনা কেইবাটাও সংশোধনী প্ৰস্তাৱ বাতিল কৰা হয়। প্ৰধান বিৰোধী দল বিজেপিয়ে বিধেয়কখন সমৰ্থন কৰাৰ বিপৰীতে চিপিএম, সমাজবাদী পাৰ্টি, তৃণমূল কংগ্ৰেছ আদিয়ে ইয়াৰ বিৰোধিতা কৰে। বিধেয়কখনৰ মতে, তেলেংগানা ৰাজ্যৰ ১০ খন জিলা হ'ব আৰু হায়দৰাবাদ দহ বছৰৰ বাবে উমৈহতীয়া ৰাজধানী হ'ব। দহ বছৰৰ পিছত ই তেলেংগানা ৰাজ্যত থাকিব। সীমান্ধ্ৰ অঞ্চলৰ ৰাজধানীৰ বাবে কেন্দ্ৰই অৰ্থ-সাহায্য দিব আৰু পৰিকল্পনা অনুসৰি গঠন হ'ব। অন্ধ্ৰপ্ৰদেশ বিধানসভাৰ আসনৰ সংখ্যা হ'ব ১৭৫ খন আৰু বিধান পৰিষদৰ সদস্য সংখ্যা হ'ব ৫০ জন। লগতে সাংসদৰ সংখ্যা ২৫ জন। আনহাতে প্ৰস্তাৱিত তেলেংগানা বিধানসভাৰ সদস্য হ'ব ১১৯ জন আৰু বিধান পৰিষদত থাকিব ৪০ খন আসন। নতুন ৰাজ্যখনৰ সাংসদৰ সংখ্যা হ'ব ১৭ জন। বিভাজনৰ পিছত তেলেংগানাৰ মাটিকালি হ'ব প্ৰায় ১,১৪,০০০ বৰ্গ কিল'মিটাৰ আৰু অন্ধ্ৰপ্ৰদেশৰ মাটিকালি হ'ব প্ৰায় ১,৬০,০০০ বৰ্গ কিল'মিটাৰ।

## দালাই লামাৰ অসম ভ্ৰমণ

এল.বি.এছ. ফাউণ্ডেছনৰ আমন্ত্ৰণ মৰ্মে যোৱা এক ফেব্ৰুৱাৰি তাৰিখে তিনিদিনীয়া ভ্ৰমণসূচী লৈ অসমত উপস্থিত হয় শান্তিৰ দূত বৌদ্ধ ধৰ্মগুৰু চতুৰ্দশ দালাই লামা। তেওঁ স্থানীয় ৰবীন্দ্ৰ ভৱন প্ৰেক্ষাগৃহত ধৰ্মীয় সম্প্ৰীতিৰ আন্তঃধৰ্মীয় বিষয়ক সন্মিলনত ভাষণ প্ৰদান কৰে। শান্তিৰ ন'বেল বঁটা বিজেতা তিব্বতৰ ধৰ্মগুৰুগৰাকীয়ে তেওঁৰ ভাষণত কয় যে ভাৰতৰ মহান ধৰ্মনিৰপেক্ষ পৰম্পৰা সমগ্ৰ বিশ্বতে বিৰল। ভাৰতৰ দৰে সকলো ধৰ্মাৱলম্বী লোক মিলা-প্ৰীতিৰে থকাটো সমগ্ৰ বিশ্বতে আদৰণীয়। তেওঁ নিজকে ভাৰতৰ বাৰ্তাবাহক বুলি অনুভৱ কৰে। তেওঁ নিজকে ভাৰতৰ সন্তান বুলি কৈ ভাল পায়। বৰ্তমানৰ যুৱ প্ৰজন্ম বস্তুবাদৰ প্ৰতি অধিক ধাৱমান হোৱা আৰু আধ্যাত্মিকতাৰ প্ৰতি ধাউতি কমি

অহা বাবে তেওঁ উদ্বিগ্নতা প্ৰকাশ কৰে। ভাৰতীয় জ্ঞান-ধাৰণাৰে ধৰ্মনিৰপেক্ষতাৰ অনুশীলন কৰি যাবলৈ তেওঁ প্ৰতিশ্ৰুতিবদ্ধ বুলি দৃঢ়তাৰে প্ৰকাশ কৰে।

আনহাতে নেহৰু ষ্টেডিয়ামত ২ ফেব্ৰুৱাৰিত অনুষ্ঠিত “শান্তি আৰু ব্যক্তিৰ প্ৰতি এক মানৱীয় দৃষ্টিভংগী” শীৰ্ষক স্মাৰক বক্তৃতাত অংশগ্ৰহণ কৰি তেওঁ কয় যে দয়া-সহানুভূতিয়েই হৈছে সুন্দৰ সমাজৰ চাবি-কাঠী। ২৪ বছৰ বয়সতে চীন চৰকাৰৰ ৰোষত পৰি নিজ মাতৃভূমি তিব্বতৰপৰা পলায়ন কৰা চতুৰ্দশ দালাই লামাই নিৰ্বাসনৰ সুদীৰ্ঘ ৫৪ বছৰৰ অন্তত উত্তৰ-পূৰ্বাঞ্চলত প্ৰথমবাৰৰ বাবে বিশাল জনসভাত অংশগ্ৰহণ কৰে। তেওঁৰ মতে অশান্তি আৰু হিংসাৰ সূত্ৰপাত ঘটোৱা কাৰণসমূহ বিশ্লেষণ কৰি আলোচনাৰ মাজেৰে মীমাংসা কৰিব লাগে। তেতিয়াহে প্ৰকৃতাৰ্থত শান্তি আহিব। একবিংশ শতিকাত সংঘটিত হোৱা যুদ্ধ-বিগ্ৰহ পূৰ্বতে হৈ যোৱা ভুলৰ ফল বুলি উল্লেখ কৰি শান্তিৰ দূতগৰাকীয়ে কয় যে হিংসাই কেতিয়াও সমস্যাৰ সমাধান নকৰে। আলোচনাৰ মাধ্যমেৰেহে সমস্যা সমাধান কৰাটো সম্ভৱ। একবিংশ শতিকাক যদি আলোচনাৰ শতিকালৈ পৰিণত কৰিব পাৰি তেনেহ'লে ই হৈ পৰিব শান্তিৰ শতিকা।

## মোডীক সাক্ষাৎ মাৰ্কিন ৰাষ্ট্ৰদূত পাৱেলৰ

বিজেপি দলৰ আগন্তুক লোকসভা নিৰ্বাচনৰ প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থী নৰেন্দ্ৰ মোডীক ভাৰতত নিযুক্ত মাৰ্কিন ৰাষ্ট্ৰদূত নেন্সী পাৱেলে যোৱা ১৩ ফেব্ৰুৱাৰি তাৰিখে সাক্ষাৎ কৰে। শ্ৰীমোডীৰ ক্ষেত্ৰত আমেৰিকা যুক্তৰাষ্ট্ৰই (বা মাৰ্কিন যুক্তৰাষ্ট্ৰ) যোৱা ৯ বছৰে এক নিষেধাজ্ঞা আৰোপ কৰি থৈছিল। গুজৰাটৰ মুখ্যমন্ত্ৰীগৰাকীৰ গান্ধীনগৰৰ ঘৰলৈ গৈ পাৱেলে প্ৰায় এঘণ্টা সময় ধৰি এক বৈঠকত মিলিত হয়। উল্লেখ্য যে বিগত ১৩ বছৰৰ ভিতৰত এয়া প্ৰথমবাৰৰ বাবে কোনো মাৰ্কিন ৰাষ্ট্ৰদূতে মোডীক সাক্ষাৎ কৰে। এনেদৰে পাৱেলে মোডীক সাক্ষাৎ কৰাটো গুৰুত্বপূৰ্ণ ঘটনা হিচাপে বিবেচিত হৈছে। ইয়াৰ লগে লগে মোডীৰ ক্ষেত্ৰত বাহাল থকা ভিছা নীতি সলনি কৰাৰো বাট মুকলি হোৱা বুলি ক'ব পাৰি। সাক্ষাতৰ সময়ত ভাৰত-আমেৰিকাৰ সম্পৰ্ক, আঞ্চলিক নিৰাপত্তা, মানৱ অধিকাৰ, আমেৰিকাৰ বাণিজ্য সন্দৰ্ভত দুয়োগৰাকীয়ে আলোচনা কৰে। পাৱেলে গুজৰাট চৰকাৰৰ কৰ্মপন্থাৰ প্ৰশংসা কৰে। নেন্সী পাৱেলৰ পূৰ্বে জাৰ্মান ৰাষ্ট্ৰদূত মাইকেল ষ্টেইনাৰ, ব্ৰিটিছ উচ্চায়ুক্ত ছেমছ বীভানেও মোডীক সাক্ষাৎ কৰিছিল। ইতিমধ্যে ইউৰোপীয়ান ইউনিয়নে মোডীৰ বিৰুদ্ধে লোৱা সিদ্ধান্ত বাতিল কৰা বুলি ঘোষণা কৰিছে।

## সেৱাব্ৰত বৰুৱালৈ অমূল্য কাকতি স্মাৰক বঁটা

ৰাজ্যৰ বৰেণ্য নাট্যকাৰ, পৰিচালক সেৱাব্ৰত বৰুৱাক যোৱা ৯ ফেব্ৰুৱাৰি তাৰিখে প্ৰদান কৰা হয় ২০১৪ বৰ্ষৰ ‘স্বভাৱ শিল্পী অমূল্য কাকতি বঁটা’। সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ ছাত্ৰ-শিল্পী-সাহিত্যিক কল্যাণ ন্যাসে প্ৰতি বছৰে এই বঁটা প্ৰদান কৰি আহিছে। বিবেকানন্দ কেন্দ্ৰত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত নৃত্যাচাৰ্য যতীন গোস্বামীয়ে উক্ত বঁটা প্ৰদান কৰে। বঁটাত আছে ২৫ হাজাৰ টকা, অংগবস্ত্ৰ আৰু স্মাৰক। বঁটা গ্ৰহণ কৰি বিশিষ্ট নাট্যকাৰ বৰুৱাই কয় যে স্বীকৃতি বা প্ৰশংসাই মানুহক অনুপ্ৰেৰণা যোগায়। লগেতে এই অনুষ্ঠানতে প্ৰয়াত অমূল্য কাকতিৰ জীৱনৰ আধাৰত ৰাজীৱ ভট্টাচাৰ্যই নিৰ্মাণ কৰা এখন তথ্যচিত্ৰ মুকলি কৰা হয়।

## আমেৰিকালৈ আমন্ত্ৰিত দেশৰ কনিষ্ঠতম পঞ্চায়ত সভানেত্ৰী আৰতি দেৱী

উৰিষ্যাৰ গঞ্জম জিলাৰ পোলাছাৰা ব্লকৰ অন্তৰ্গত অতিকে ভিতৰুৱা ধুনকাপাৰা গাঁও পঞ্চায়তৰ সভানেত্ৰী হ'ল ২৮ বছৰীয়া আৰতি দেৱী। যোৱা ২০১২ চনত তেওঁ দেশৰ সৰ্বকনিষ্ঠ সভানেত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছিল। এম.বি.এ. ডিগ্ৰীধাৰী আৰু বিনিয়োগ ব্যৱসায়ৰ অগ্ৰণী উদ্যোগী আৰতি দেৱীয়ে নিজ গাঁও ধুনকাপাৰাৰ উন্নয়নক লৈহে বেছি মনোনিৱেশ কৰে। নিজৰ কৰ্মদক্ষতাৰে জনপ্ৰিয়তা অৰ্জন কৰা এই পঞ্চায়ত কৰ্মীগৰাকী সম্প্ৰতি আমেৰিকা যুক্তৰাষ্ট্ৰলৈ নিমন্ত্ৰিত

হৈছে। তিনি সপ্তাহজোৰা এই ভ্ৰমণসূচীত আমেৰিকাৰ বৈদেশিক বিভাগে তেওঁক ইণ্টাৰনেছনেল ভিজিৰ্টছ লিডাৰশ্বিপ আঁচনিত ভাগ লোৱাৰ বাবে নিমন্ত্ৰণ জনাইছে। মুঠ ২১ গৰাকী বিদেশী অতিথিৰ ভিতৰত আৰতি দেৱী একমাত্ৰ ভাৰতীয়। ১৮ ফেব্ৰুৱাৰিত তেওঁ আমেৰিকাৰ ৰাষ্ট্ৰপতি বাৰাক ওবামাৰ লগত মিলিত হয়। উল্লেখ্য, এই কাৰ্যসূচীত পূৰ্বে ভাৰতৰপৰা অংশগ্ৰহণ কৰিছিল ইন্দিৰা গান্ধী, মোৰাৰজী দেশাই, অটল বিহাৰী বাজপেয়ী, কে.আৰ. নাৰায়ণন আদিয়ে।

## উত্তৰ-পূবৰ প্ৰথমগৰাকী লেফটেনেণ্ট জেনেৰেল মণিপুৰৰ কে.এইচ. সিং

মেজৰ জেনেৰেল কোনছাম হিমালয় সিঙে উত্তৰ-পূৰ্বাঞ্চলৰপৰা প্ৰথমগৰাকী লেফটেনেণ্ট জেনেৰেল ৰূপে ভাৰতীয় সৈন্য বাহিনীত নিযুক্তি লাভ কৰিছে। মণিপুৰৰ থৌবাল জিলাৰ চাৱাংপট গাঁৱৰ বাসিন্দা সিঙে অসমৰ গোৱালপাৰা সৈনিক স্কুলত পঢ়া-শুনা কৰিছিল। এন.ডি.এ.ৰপৰা যাৱতীয় শিক্ষা শেষ কৰি ১৯৭৮ চনত তেওঁ ৰাজপুত ৰেজিমেণ্টৰ দ্বিতীয় বেটেলিয়নত কৰ্মজীৱন আৰম্ভ কৰিছিল। জম্মু-কাশ্মীৰৰ সেনা অভিযানৰ বিশেষজ্ঞ হিচাপে পৰিচিত কে.এইচ. সিঙে যুদ্ধ সেৱা পদক আৰু অতি বিশিষ্ট সেৱা পদকো লাভ কৰিবলৈ সক্ষম হৈছে। সিঙে ভাৰতীয় সেনা বাহিনীৰ দ্বিতীয় গুৰুত্বপূৰ্ণ পদ লাভ কৰাত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাইজ আনন্দিত আৰু গৰ্বিত হৈছে।

## আমেৰিকাৰ ছাৰ্জন জেনেৰেল পদত বিবেক মূৰ্তি

ভাৰতীয় মূলৰ ৩৬ বছৰীয়া ড° বিবেক এইচ মূৰ্তিক বাৰাক ওবামা প্ৰশাসনে আমেৰিকাৰ ছাৰ্জন জেনেৰেল পদৰ বাবে মনোনীত কৰিছে। এই সন্মানীয় পদ লাভ কৰা বিবেক মূৰ্তি হৈছে কৰ্ণাটকৰ মন্দিয়া জিলাৰ মাদ্দুৰ তালুকৰ হালেগেৰে গাঁৱৰ বাসিন্দা। ড° বিবেক মূৰ্তি হৈছে আমেৰিকাৰ সবাতোকৈ কনিষ্ঠ ছাৰ্জন জেনেৰেল। চাৰি বছৰীয়া কাৰ্যকালৰ বাবে নিযুক্তি লাভ কৰা বিবেক মূৰ্তি 'ডক্টৰ্ছ ফৰ আমেৰিকা' নামৰ সংস্থাটোৰো সহ প্ৰতিষ্ঠাপক। তেওঁৰ পৰিয়ালে কৰ্ণাটকত স্থাপন কৰা স্ক'প ফাউণ্ডেচন নামৰ বেচৰকাৰী সংস্থাটোৰ জৰিয়তে নিজ ৰাজ্যত বিনামূলীয়া চকু চিকিৎসা শিবিৰ, চিকিৎসালয়, বিদ্যালয় নিৰ্মাণ আদিৰ দৰে জনহিতৈষী কাম কৰি আহিছে।

## প্ৰিন্সটন ইউনিভাৰ্ছিটি স্কুলৰ নতুন ডীন সুনীল কুলকাৰ্ণী

আমেৰিকাৰ বিখ্যাত প্ৰিন্সটন ইউনিভাৰ্ছিটি গ্ৰেজুৱেট স্কুলৰ পৰৱৰ্তী ডীন হিচাপে নিযুক্তি লাভ কৰিছে ভাৰতীয় মূলৰ মাৰ্কিন শিক্ষাবিদ সুনীল কুলকাৰ্ণীয়ে। কেলেৰ চেণ্টাৰৰ সঞ্চালক আৰু ইলেক্‌ট্ৰিকেল ইঞ্জিনীয়াৰিঙৰ অধ্যাপক কুলকাৰ্ণীয়ে অহা ৩১ মাৰ্চ তাৰিখে উইলিয়াম ৰাছেলৰপৰা দায়িত্বভাৰ গ্ৰহণ কৰিব। যোৱা ২০০২ চনৰপৰা নিউজাৰ্ছিৰ এই শিক্ষা প্ৰতিষ্ঠানখনৰ ডীন হিচাপে ৰাছেলে কাৰ্যনিৰ্বাহ কৰি আছে। উল্লেখ্য যে ১৯৯১ চনত এই বিশ্ববিদ্যালয়খনত অধ্যাপকৰূপে যোগদান কৰা কুলকাৰ্ণীয়ে এগৰাকী গৱেষক আৰু শিক্ষক হিচাপে সুকীয়া স্থান আৰু সুনাম অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। ১৯৬৩ চনৰ ২১ ছেপ্টেম্বৰত মুম্বাইত জন্মগ্ৰহণ কৰা অধ্যাপকগৰাকীয়ে ক্লাৰ্কছন বিশ্ববিদ্যালয়ৰপৰা গণিত আৰু ইলেক্‌ট্ৰিকেল ইঞ্জিনীয়াৰিং বিষয়ত স্নাতক ডিগ্ৰী লাভ কৰিছিল। পিছত ষ্টেনফ'ৰ্ড বিশ্ববিদ্যালয়ৰপৰা স্নাতকোত্তৰ ডিগ্ৰী আৰু মাছাছুচেটছ ইনষ্টিটিউট অব্ টেকন'লজিৰপৰা (MIT) পি.এইচ.ডি. লাভ কৰিছিল।

## আৰ্চাৰ দীপিকা কুমাৰীলৈ বৰ্ষশ্ৰেষ্ঠ ক্ৰীড়াবিদৰ সন্মান

তাৰকা আৰ্চাৰ দীপিকা কুমাৰীয়ে এফ.আই.চি.চি.আই.ৰ (ফিকী) বৰ্ষশ্ৰেষ্ঠ ক্ৰীড়াবিদৰ সন্মান লাভ কৰে। যোৱা ১৩ ফেব্ৰুৱাৰি তাৰিখে ফিকীয়ে

ভাৰতীয় ক্ৰীড়া ক্ষেত্ৰৰ এই বঁটাসমূহ আনুষ্ঠানিকভাৱে বিতৰণ কৰে। লগতে ক্ৰিকেট খেলুৱৈ ৰাহুল দ্ৰাৱিড়লৈ আগবঢ়োৱা হৈছে জীৱনজোৰা সাধনা বঁটা।

## বিশ্বৰ ভিতৰত দীৰ্ঘতম পানীৰ তলৰ সুৰংগ নিৰ্মাণ

বিশ্বৰ ভিতৰতে দীৰ্ঘতম পানীৰ তলৰ সুৰংগ নিৰ্মাণ কৰিবলৈ পৰিকল্পনা কৰিছে চীনে। দেশখনৰ ভূমিকম্পপ্ৰৱণ লিয়াউনিং প্ৰদেশৰ দালিয়ান আৰু ছানদং প্ৰদেশৰ য়াণ্টাই চহৰ সংযোগ কৰিব লগা এই পানীৰ তলৰ সুৰংগটোৰ দৈৰ্ঘ্য হ'ব ১২৩ কিল'মিটাৰ। ২০১৬ চনত নিৰ্মাণ আৰম্ভ হ'বলগীয়া এই সুৰংগটো ২০২০ চনত সম্পূৰ্ণ কৰিবলৈ আঁচনি প্ৰস্তুত কৰা হৈছে। চাইনিজ একাডেমি অৱ ইঞ্জিনীয়াৰিঙৰ এজন বিশেষজ্ঞৰ মতে সুৰংগ পথটো নিৰ্মাণত ব্যয় হ'ব ২২০ বিলিয়ন য়ুৱান। উল্লেখ্য, চীনৰ দালিয়ান আৰু য়াণ্টাই চহৰৰ মাজত জলপথেৰে যাত্ৰা কৰিলে লাগে আঠ ঘণ্টা। কিন্তু নতুন সুৰংগটোৰে ৪০ মিনিটত দুয়োখন চহৰৰ মাজত সংযোগ স্থাপন কৰিব পৰা যাব। সাগৰপৃষ্ঠৰপৰা ৩০ মিটাৰ তলত এই সুৰংগ পথটো নিৰ্মাণ কৰা হ'ব।

## ৰিশিতালৈ অসমৰ কনিষ্ঠতম মহিলা আন্তঃৰাষ্ট্ৰীয় ৰেটিং প্ৰাপ্ত খেলুৱৈৰ সন্মান

পি চি বৰুৱা দবা একাডেমিৰ প্ৰশিক্ষাৰ্থী ৰিশিতা সিনহাই ৮ বছৰ বয়সত আন্তঃৰাষ্ট্ৰীয় ৰেটিং লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। আন্তঃৰাষ্ট্ৰীয় দবা মহাসংঘই ফেব্ৰুৱাৰি মাহত প্ৰকাশ কৰা ৰেটিং তালিকাত ১২৭১ পইণ্ট লাভ কৰি ৰিশিতাই নিজৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ সমৰ্থ হৈছে। ৮ বছৰ ৯ মাহ ২৪ দিনত ৰেটিং লাভ কৰি ৰিশিতাই অসমৰ কনিষ্ঠতম মহিলা ৰেটেড খেলুৱৈ হিচাপে পৰিগণিত হৈছে। যোৱা ৯ জানুৱাৰিৰপৰা ১৬ জানুৱাৰিলৈ দিল্লীত অনুষ্ঠিত দিল্লী অ'পেন আন্তঃৰাষ্ট্ৰীয় ৰেটিং দবা প্ৰতিযোগিতাত ৰিশিতাৰ উৎকৃষ্ট প্ৰদৰ্শনৰ ভিত্তিত এই ৰেটিং প্ৰদান কৰা হৈছে।

## মহানগৰীত 'গ্ৰীণ কেব' সেৱা আৰম্ভ

মহানগৰবাসীৰ যাতায়াতৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ৰাইন' ৱান নামৰ প্ৰতিষ্ঠানটোৱে যোৱা ১৩ ফেব্ৰুৱাৰিৰপৰা আৰম্ভ কৰিছে নেন' সেৱা। শ্বেয়াৰ টেক্সি হিচাপে মহানগৰীত প্ৰথমবাৰলৈ প্ৰৱৰ্তন কৰা 'গ্ৰীণ কেব' নামৰ নেন' সেৱা ২৪ ঘণ্টাই উপলব্ধ হ'ব। এই সেৱা ৭১৫১৫১৫ নম্বৰত ফ'ন কৰি অথবা ডব্লিউ ডব্লিউ ডব্লিউ ৭১৫১৫১৫ ডট কম ৱেবছাইট যোগে বুকিং কৰিব পৰা যাব। এই নেন' 'গ্ৰীণ কেব'ৰ ভাড়া পুৱা ৫ বজাৰপৰা নিশা ১০ বজালৈ প্ৰথম দুই কিমি.ত ৩০ টকা, পৰৱৰ্তী দুশ মিটাৰত তিনি টকা, প্ৰতি পাঁচ মিনিটৰ অপেক্ষাৰ বাবদ অতিৰিক্ত তিনি টকাকৈ নিৰ্ধাৰণ কৰা হৈছে। অৱশ্যে নিশা দহ বজাৰপৰা পুৱা পাঁচ বজা পৰ্যন্ত এই নিৰিখ ৫০ শতাংশ বৃদ্ধি হ'ব। এই নেন'সমূহ শীত-তাপ নিয়ন্ত্ৰিত হোৱাৰ লগতে প্ৰতিখনতে চৰকাৰৰ অনুমোদনপ্ৰাপ্ত ডিজিটেল মিটাৰ, ৰছিদ প্ৰিণ্টাৰ, জি পি এছ আদিৰ সুবিধা আছে। সেৱা লাভৰ সময়ত যাত্ৰীয়ে ক্ৰেডিট আৰু ডেবিট কাৰ্ডৰ জৰিয়তেও ভাৰা আদায় দিব পাৰিব।

## ধ্ৰুৱজিৎ গগৈলৈ জাৰ্মান সংগীত প্ৰতিষ্ঠানৰ সন্মান

বিশ্বৰ প্ৰথম স্থানৰ ভ'কেল এডিটিং ছফটৱেৰ হৈছে 'মেল'ডাইন'। 'মেল'ডাইন'ৰ প্ৰস্তুতকাৰী জাৰ্মান সংস্থা 'চেলিমনী'ৰ নিজস্ব শিল্পী হিচাপে শেহতীয়াকৈ স্বীকৃতি লাভ কৰিছে মুম্বাইত প্ৰতিষ্ঠিত অসমসন্তান সংগীত শিল্পী ধ্ৰুৱজিৎ গগৈয়ে। উল্লেখ্য যে অস্কাৰ বিজয়ী  এ আৰ ৰহমানৰ পিছত এই স্বীকৃতি লাভ কৰা ভাৰত তথা এছিয়াৰ দ্বিতীয়গৰাকী শিল্পী হিচাপে পৰিগণিত হৈছে এই অসম সন্তানগৰাকী। 'চেলিমনী'ৰ প্ৰতিষ্ঠাতা পিটাৰ নিউবাকাৰে ২০০১ চনত উদ্ভাৱন কৰা মিউজিক ছফটৱেৰ 'মেল'ডাইন'এ কম সময়ৰ ভিতৰতে বিশ্বৰ সংগীত জগতত বিশেষ গুৰুত্ব আৰু সমাদৰ লাভ কৰিছে। সম্প্ৰতি বিশ্বৰ সংগীত ৰেকৰ্ডিং আৰু সম্পাদনাৰ ক্ষেত্ৰত সৰ্বাধিক ব্যৱহৃত ছফটৱেৰ হিচাপে

পৰিগণিত ‘চেলিমনী’ৰ নিজস্ব শিল্পী হিচাপে স্বীকৃতি পোৱাটো বিশেষ সন্মান হিচাপে বিবেচিত হৈছে। বিগত প্ৰায় দুটা দশক ধৰি বলীউডত ব্যস্ত থকা গগৈয়ে এগৰাকী মিউজিক ডিজাইনাৰ হিচাপে এখন অনন্য আসন লাভ কৰিবলৈ সক্ষম হৈছে। শেহতীয়াকৈ দেশজুৰি আলোড়নৰ সৃষ্টি কৰা ‘ক্ৰিছ-থ্ৰী’ ছবিৰ ‘ৰঘুপতি ৰাঘৱ’ শীৰ্ষক গীতটোৰ সংগীত ব্যৱস্থাপনা কৰিছিল ধ্ৰুৱজিৎ গগৈয়ে।

**সংগ্ৰহ : কুশল গোস্বামী**

## মাইক্ৰ’চফ্‌টৰ নতুন মুখ্য কাৰ্যবাহী বিষয়া সত্য নাডেল্লা

বিল গেটছ আৰু ষ্টিভ ৱালমাৰৰ পিছত মাইক্ৰ’চফ্‌টৰ তৃতীয়গৰাকী মুখ্য কাৰ্যবাহী বিষয়া হিচাপে অলপতে নিযুক্ত হৈছে ভাৰতীয় মূলৰ সত্য নাডেল্লা। ৪৬ বছৰীয়া নাডেল্লাই ২২ বছৰ ধৰি পৃথিৱীৰ তৃতীয় বৃহৎ (বজাৰ মূলধনৰ ওপৰত ভিত্তি কৰি) অনুষ্ঠানটোৰ সৈতে জড়িত হৈ আছে। ১৯৬৯ চনত হাইদৰাবাদত জন্মগ্ৰহণ কৰা নাডেল্লাই বৰ্তমান ৱাছিংটনৰ বেলিভিউত (Bellevue) বাস কৰি আছে। ১৯৯২ চনত মাইক্ৰ’চফ্‌টত যোগদান কৰাৰ আগতে নাডেল্লা কৰ্মৰত আছিল ছান্ মাইক্ৰ’ছিছটেমছ (Sun micro systems) নামৰ ব্যৱসায়ৰ সংস্থাটোত যোগদান কৰে।

**শিক্ষা জীৱন :** নাডেল্লাই শিক্ষা জীৱন আৰম্ভ কৰিছিল হাইদৰাবাদত। তেওঁ ইলেকট্ৰনিক ইঞ্জিনীয়াৰিঙত (Electronic Engineering)ত স্নাতক ডিগ্ৰী লাভ কৰে মণিপাল ইনষ্টিটিউটত অফ টেকন’লজি (Manipal Institute of Technology) ৰপৰা। ’৮০ৰ দশকত তেওঁ আমেৰিকালৈ গৈ ইউনিভাৰ্ছিটি অফ উইছক’নছিন মিলৱাউকী (University of Wisconsin-Milwaukee) ৰপৰা কম্পিউটাৰ বিজ্ঞান (Computer Science)ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। তাৰ পিছত ছিকাগো বিশ্ববিদ্যালয়ৰ (Chicago University) বুথ স্কুল অফ বিজনেছ (Booth School of Business) ৰপৰা MBA ডিগ্ৰী লাভ কৰে।

**মাইক্ৰ’চফ্‌টত নাডেল্লাৰ পদবীসমূহ :**

(১) নাডেল্লাই যোগদান কৰিছিল ৱিনডোজ ডেভল’পাৰ ৰিলেশ্যনছ গ্ৰুপ (Windows Developer Relations Group)ত প্ৰগ্ৰেম মেনেজাৰ হিচাপে।

(২) ২০০৯ চনৰ মাৰ্চৰপৰা ২০১১ চনৰ ফেব্ৰুৱাৰিলৈ তেওঁ আছিল ৰিছাৰ্চ এণ্ড ডেভেলপমেণ্ট ফ’ৰ অনলাইন ছাৰ্ভিছেছ ডিভিজনৰ (Research & Development for Online Services Divisions) জ্যেষ্ঠ উপসভাপতি।

(৩) তেওঁ মাইক্ৰ’ছফ্‌ট বিজনেছ চ’লিউচন গ্ৰুপৰ (Microsoft Business Solution Group) উপসভাপতি হিচাপেও কৰ্মৰত আছিল।

(৪) ২০১১ৰ ফেব্ৰুৱাৰিৰপৰা ২০১৪ৰ ফেব্ৰুৱাৰিলৈ মাইক্ৰ’ছফ্‌টৰ ছাৰভাৰ এণ্ড টুলছ বিজনেছৰ (Server & Tools Business) নাডেল্লা সভাপতি হিচাপে কৰ্মৰত আছিল।

(৫) মুখ্য কাৰ্যবাহী বিষয়া হোৱাৰ সময়ত তেওঁ মাইক্ৰ’ছফ্‌টৰ ক্লাউড এণ্ড এণ্টাৰপ্ৰাইজ গ্ৰুপৰ (Cloud & Enterprise Group) কাৰ্যবাহী উপসভাপতি আছিল।

ইয়াৰ উপৰি নাডেল্লাই এজুৰ (Azure) নামৰ প্ৰযুক্তিবিধৰ সৃষ্টিত বিশেষ ভূমিকা গ্ৰহণ কৰে।

**সংগ্ৰহ : গোপেন বৰ্মন**

## তোমালোকে জানানে?

- এটা অ’ষ্ট্ৰিক চৰাইৰ চকু তাৰ মগজুতকৈ ডাঙৰ।
- গ’ল্ড ফিছে অৱলোহিত আৰু অতিবেঙুনীয়া ৰশ্মি দেখা পায়।
- বাঁওহাতেৰে টাইপ কৰিব পৰা আটাইতকৈ দীঘল শব্দ হৈছে Stewerdesses।

# খবৰৰ লেছেৰি বোটলা

২০১৪

**২৯ জানুৱাৰি :** অসম কৃষি বিশ্ববিদ্যালয়ৰ খানাপাৰা চৌহদত জলজ প্ৰাণীৰ বেমাৰ নিৰীক্ষণ কাৰ্যসূচীৰ শুভাৰম্ভ।

- অসমৰ মুগা শিল্পই লাভ কৰিলে ভৌগোলিক স্বীকৃতি।

**১ ফেব্ৰুৱাৰি :** ৰবীন্দ্ৰ ভৱনত আয়োজিত সৰ্বধৰ্ম অভিবৰ্তনত দালাই লামাৰ ভাষণ।

- উত্তৰাখণ্ডৰ অষ্টমজন নতুন মুখ্যমন্ত্ৰী হিচাবে হৰিচ ৰাৱটৰ শপত গ্ৰহণ।
- দেশৰ প্ৰথমখন মন'ৰেল মুম্বাইত উদ্বোধন।

**২ ফেব্ৰুৱাৰি :** অস্কাৰ বিজয়ী অভিনেতা তথা পৰিচালক ফিলিপ হফমেনৰ মৃত্যু হয়। ২০০5 চনত 'কাপ'টে' নামৰ ছবিখনত কৰা দুৰ্দান্ত অভিনয়ৰ বাবে তেওঁ শ্ৰেষ্ঠ অভিনেতাৰ অস্কাৰ লাভ কৰিবলৈ সফল হৈছিল। তদুপৰি তেওঁ তিনিবাৰকৈ অস্কাৰৰ বাবে মনোনীত হৈছিল।

**৫ ফেব্ৰুৱাৰি :** ছোৱালীৰ শিক্ষাৰ বাবে মাত মাতি বিশ্বজুৰি প্ৰশংসিত হোৱা পাকিস্তানৰ সাহসী কিশোৰী মালালা ইউচুফজাইক 'Children Nobel'ৰ বাবে মনোনীত কৰা হৈছে। এই বঁটাৰ বাবে মনোনীত হোৱা আন দুজন হ'ল—আমেৰিকাৰ জন উদ আৰু নেপালৰ ইন্দিৰা ৰামানগৰ।

**১১ ফেব্ৰুৱাৰি :** আমেৰিকাৰ আগশাৰীৰ লেখিকা তথা ভাৰতীয় বুৰঞ্জী, সংস্কৃত আৰু ভাষাৰ গৱেষক ৱেন্দি ড'নিগাৰৰ বহু বিতৰ্কিত গ্ৰন্থ 'দ্য হিন্দুজ : 'এন অলটাৰনেটিভ হিষ্টৰী'ৰ প্ৰকাশ বন্ধ কৰাৰ সিদ্ধান্ত পেংগুইন বুকছ ইণ্ডিয়াৰ। ৮০০ পৃষ্ঠাজোৰা এইখন গ্ৰন্থ ২০০৯ চনত প্ৰকাশ হৈছিল।

**১২ ফেব্ৰুৱাৰি :** ৰেলমন্ত্ৰী মল্লিকাৰ্জুন খৰ্গেই ২০১৪ চনৰ অন্তৰ্বৰ্তী ৰেল বাজেট উত্থাপন কৰে। ৭৩ খন নতুন ৰেলৰ প্ৰস্তাৱ কৰা হৈছে। যাত্ৰী আৰু মালবস্তুৰ ভাৰা বৃদ্ধি হোৱা নাই।

- অসমত গুট্‌খা নিষিদ্ধকৰণ বিধেয়ক আইনত পৰিণত।

**১৩ ফেব্ৰুৱাৰি :** মাৰ্কিন ৰাষ্ট্ৰদূত নেঞ্চি পাৱেল আৰু নৰেন্দ্ৰ মোডীৰ মাজত বৈঠক অনুষ্ঠিত।

**৩০ জানুৱাৰি :** গাখীৰ ভেজাল কৰোতাক কঠোৰ শাস্তিৰ পোষকতা উচ্চতম ন্যায়ালয়ৰ। ভেজাল গাখীৰ বিক্ৰী তথা বিপণনকাৰীৰ বিৰুদ্ধে আজীৱন কাৰাবাস পৰ্যন্ত শাস্তি দিবলৈ কৈছে উচ্চতম ন্যায়ালয়ে।

- পাকিস্তানৰ শান্তিকৰ্মী মালালা ইউচুফজাইলৈ আগবঢ়োৱা হৈছে এন ফ্ৰাংক সাহসিকতা বঁটা। তালিবানৰ বিৰুদ্ধে যুঁজ কৰি নাৰী শিক্ষাৰ হকে কৰি অহা কামৰ স্বীকৃতি হিচাবে এই বঁটা আগবঢ়োৱা হৈছে।

**১৪ ফেব্ৰুৱাৰি :** দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ পদত্যাগ। বিধানসভাত জন লোকপাল বিধেয়ক ৪২-২৭ ভোটত অগ্ৰাহ্য হোৱাৰ পিছতেই কেজৰিয়ালে পদত্যাগৰ কথা ঘোষণা কৰে। মাত্ৰ ৪৯ দিন মুখ্যমন্ত্ৰী হিচাবে কাৰ্যনিৰ্বাহ কৰে।

- অসমৰ মুখ্যমন্ত্ৰীৰ ঘোষণা : শৰাইঘাট যুদ্ধ জয়ৰ অন্যতম হোতা বীৰ লাচিতৰ সহযোগী বাঘ হাজৰিকা ওৰফে ইছমাইল ছিদ্দিকীৰ স্মৃতি ৰক্ষাৰ্থে অসম চৰকাৰে বাঘ হাজৰিকা বঁটা প্ৰৱৰ্তন কৰিব।

**১৬ ফেব্ৰুৱাৰি :** জননেতা শৰৎ চন্দ্ৰ সিংহৰ বৰ্ষজোৰা জন্ম শতবাৰ্ষিকীৰ সামৰণি অনুষ্ঠান ১৬ ফেব্ৰুৱাৰিত গুৱাহাটীৰ লক্ষীধৰ বৰা ক্ষেত্ৰত অনুষ্ঠিত হয়।

**১৪-১৬ ফেব্ৰুৱাৰি :** মৰিগাঁও জিলাৰ নেলীত তিনিদিনীয়াকৈ উত্তৰ-পূৰ্বাঞ্চল ভিত্তিত অনুষ্ঠিত হয় ইছলাম ধৰ্মাৱলম্বী লোকৰ এস্তেমা। লাখ লাখ ধৰ্মাৱলম্বী লোকৰ অংশগ্ৰহণ।

**১৪-১৯ ফেব্ৰুৱাৰি :** ডিফুত অনুষ্ঠিত হয় ৪০ সংখ্যক কাৰ্বি যুৱ মহোৎসৱ।


**সংগ্ৰহ : জয়ন্ত ডেকা**

# অসমৰ কেইবিধমান উদ্ভিদ

■ উদয়া ফুকন

1. **আকাশী লতা** (Dodder Plant)

বৈজ্ঞানিক নাম : *Cascuta reflexa*




**সাধাৰণ চৰিত্ৰ :** বহু বছৰ জীয়াই থাকে, কোমল, হালধীয়া, ৰছী আকাৰৰ লতা। পৰজীৱী উদ্ভিদ। ফুল বগা, এঠালতীয়া, প্ৰায় ৫ মি.মি. দীঘল, ৩ মি.মি. বহল। একক বা থোপা পাতি ফুলে। বেটুপাত ৫টা, পাহি ৫টা, ত্ৰিভুজ আকাৰৰ। পুংকেশৰ ৫ ডাল, পাহিৰ লগত সংলগ্ন। ফল গোলাকাৰ বা ডিম্বাকাৰ।

**আবাস :** অসমৰ প্ৰায় সকলো ঠাইতে পোৱা যায়।

**ব্যৱহাৰ :** আঘাতপ্ৰাপ্ত স্থানত ডাল, পাত পিহি লগালে বিষ উপশম হয়।

2. **কণী ধান** (Italian millet)



বৈজ্ঞানিক নাম : *Setaria italica*


**সাধাৰণ চৰিত্ৰ :** ইহঁতৰ বয়স মাত্ৰ এবছৰ। ওখ ১০০-১৫০ ছেমি.। পাতবোৰ দীঘল চিধা, কোমল আৰু সেউজীয়া। বীজবোৰ সৰু আৰু ঘূৰণীয়া।

**আবাস :** বিভিন্ন ঠাইত খেতি কৰা হয়।

**ব্যৱহাৰ :** খাদ্যৰূপে ব্যৱহাৰ কৰা হয়।

3. **ইকৰা** (Noding reed)

বৈজ্ঞানিক নাম : *Phragmites karka*



**সাধাৰণ চৰিত্ৰ :** কেইবছৰমানহে জীয়াই থাকে। প্ৰায় ৩ মিটাৰমান ওখ ঘাঁহজাতীয় উদ্ভিদ। গা-গছডাল ফোপোলা। পাতবোৰ বহল আৰু চিধা। ইয়াৰ দৈৰ্ঘ্য প্ৰায় ৬০ ছেমি., প্ৰস্থ প্ৰায় ৩ ছেমি.। পাতৰ গুৰি ঘূৰণীয়া আৰু নিমজ। ফুলৰ পুংকেশৰ ১ৰপৰা ৩ ডাল, গৰ্ভকেশৰ ২ ডাল, ফল দুটা।


**আবাস :** অসমৰ প্ৰায়বিলাক দ ঠাই, পিতনিত পোৱা যায়।

**ব্যৱহাৰ :** ইয়াৰ গা-গছেৰে ঘৰৰ বেৰ বন্ধা হয়। ডাঙৰ ঘৰৰ বেৰত লগাই চিমেণ্টৰ প্ৰলেপ দি বহুদিন যাব পৰা বেৰ সাজি লোৱা হয়। এই গছৰ কোমল পাত গঁড়, হাতী, ম'হৰ খাদ্য। গা-গছ পেঁপা সজা, মহুৰা (তাঁতশালৰ) সজাত ব্যৱহাৰ হয়। ❍

## বিশেষ নিবন্ধ

# অদম্য প্ৰেৰণাৰ উৎস মালালা ইউচুফজাই

■ ঋতুৰাজ ডেকা



পাকিস্তানৰ স্বাত জিলাৰ এজনী সৰু ছোৱালী। নাম মালালা ইউচুফজাই। কিন্তু বিশ্ববাসীৰ বাবে ই এটা নাম হৈ থকা নাই; হৈ পৰিছে এক নিদৰ্শন। পাকিস্তানৰ এগৰাকী স্কুলীয়া ছাত্ৰী হৈ পৰিছে সকলোৰে বাবে আদৰ্শ। কিন্তু কেনেকৈ? সেয়া কৰিছে মালালাই নিজৰ অদম্য সাহস আৰু কৰ্মৰে। পাকিস্তানৰ এই কণমানি ছোৱালীজনী বিখ্যাত হৈ পৰিছে এগৰাকী শিক্ষাকৰ্মী হিচাপে। পাকিস্তানৰ স্বাত জিলাখন তালিবান নামৰ উগ্ৰপন্থী সংগঠন এটাৰ কাৰ্যকলাপৰ অন্যতম মূল ঠাই। তালিবানসকলে সেই জিলাখনত ছোৱালী তথা মহিলাৰ বাবে শিক্ষা গ্ৰহণ কৰা কথাটো বন্ধ কৰি দিছিল। মালালাই তালিবান উগ্ৰপন্থীসকলৰ এই কাৰ্যৰ প্ৰতিবাদ কৰিছিল। ২০০৯ চনত যেতিয়া মালালাৰ বয়স মাত্ৰ ১১-১২ বছৰ, সেই বয়সতে তেওঁ বিবিচি নামৰ পৃথিৱীবিখ্যাত এটা ৰেডিঅ' কেন্দ্ৰযোগে সেই কথাবোৰ প্ৰকাশ কৰিছিল। ২০১০ চনত নিউ ইয়ৰ্ক টাইমছ নামৰ আমেৰিকাৰ বিখ্যাত বাতৰিকাকত এখনে মালালাৰ জীৱনভিত্তিক এখন তথ্যচিত্ৰ প্ৰস্তুত কৰে। মালালাই এইদৰে সহযোগিতা পোৱাৰ পিছত খবৰ কাগজ আৰু টেলিভিছনত মুকলিভাৱে সাক্ষাৎকাৰ দিবলৈ ধৰে। দক্ষিণ আফ্ৰিকান শান্তিকৰ্মী দেছমণ্ড টুটুৱে মালালাৰ নাম শিশুৰ বাবে দি থকা শান্তিৰ আন্তঃৰাষ্ট্ৰীয় বঁটা (International Children's Peace Prize)লৈ মনোনীত কৰে।

ইয়াৰ পিছতে পাকিস্তানী সৈন্যই স্বাত জিলাত হস্তক্ষেপ কৰে। ২০১২ চনৰ ৯ অক্ট'বৰ মঙলবাৰে পুৱা স্কুল বাছেৰে মালালা ঘৰলৈ উভতি যোৱাৰ সময়ত এজন আততায়ীয়ে মালালাৰ নাম সোধে আৰু এটা Colt 45 পিষ্টলেৰে তিনিজাই গুলী কৰে। মালালা আঘাতপ্ৰাপ্ত হয়। কিছুদিন অজ্ঞান হৈ থকাৰ পিছত তেওঁৰ অৱস্থা কিছু উন্নত হয় আৰু তেওঁক লণ্ডনৰ কুইন এলিজাবেথ হস্পিটাললৈ প্ৰেৰণ কৰা হয়। ১২ অক্ট'বৰত ৫০ জনীয়া পাকিস্তানী ধৰ্মগুৰুৰ সমিতি এখনে মালালাক হত্যা কৰাৰ চেষ্টা কৰাসকলৰ বিৰুদ্ধে ফটোৱা জাৰি কৰে। ফটোৱা মানে হৈছে মৃত্যুদণ্ড। তথাপি তালিবান সন্ত্ৰাসবাদীয়ে মালালাৰ মাক আৰু দেউতাকক হত্যা কৰাৰ চেষ্টা কৰে।

মালালাক হত্যা কৰাৰ প্ৰচেষ্টাই গোটেই পৃথিৱীতে গভীৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে আৰু মালালাক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতা পোৱাত যথেষ্ট সহায় কৰে।

ৰাষ্ট্ৰসংঘৰ গোলকীয় শিক্ষাৰ প্ৰতিনিধি গৰ্ডন ব্ৰাউনে মালালাৰ নামত 'আই এম মালালা' (মই মালালা) শ্ল'গানেৰে এখন আবেদন যুগুত কৰে য'ত বিশ্বৰ সকলো শিশুকে ২০১৫ চনৰ ভিতৰত বিদ্যালয়লৈ পঠোৱাৰ দাবী কৰা হয়। ২০১৩ চনৰ ২৯ এপ্ৰিলত মালালাই আমেৰিকাৰ টাইম (Time) আলোচনীৰ বেটুপাতত স্থান পায়। টাইম আলোচনীৰ বেটুপাতত স্থান পোৱাটো এক বিৰল সন্মান। তাৰ পিছতেই মালালাক বিশ্বৰ এশগৰাকী শীৰ্ষ প্ৰভাৱশালী ব্যক্তিৰ মাজত স্থান দিয়া হয়। পাকিস্তানৰ প্ৰথম 'ৰাষ্ট্ৰীয় যুৱ শান্তি বঁটা' (National Youth Peace Prize) পোৱা মালালাই ২০১৩ চনৰ শান্তিৰ ন'বেল বঁটাৰ বাবে মনোনয়ন পায় যদিও এই বঁটা পাবলৈ সক্ষম নহ'ল। তথাপিও তেওঁ এই বঁটাৰ বাবে মনোনীত হোৱা কনিষ্ঠতম (১৬ বছৰ) ছোৱালী হিচাপে পৰিগণিত হয়। ২০১৩ চনৰ ১২ জুলাইত ৰাষ্ট্ৰসংঘত বিশ্বব্যাপি শিক্ষাৰ প্ৰসাৰৰ বাবে দিয়া ভাষণেৰে মালালাই সকলোকে অভিভূত কৰে। কানাডা নামৰ ৰাষ্ট্ৰখনে মালালাক সন্মানজনক নাগৰিকত্ব প্ৰদান কৰিছে। ছিলড্ৰেনছ ন'বেলৰ বাবেও তেওঁ মনোনয়ন পাইছে। এইগৰাকী সাহসী আৰু ব্যতিক্ৰমী ছোৱালীয়ে নিজ গুণেৰে বিশ্ববাসীৰ প্ৰিয় হোৱাৰ লগতে সকলোৰে বাবে অনুপ্ৰেৰণা হৈ পৰিছে।

## বিশেষ নিবন্ধ

# পলকতে মালালা ইউচুফজাই

| | | |
|---|---|---|
| নাম | : | মালালা ইউচুফজাই |
| জন্ম | : | ১২ জুলাই, ১৯৯৭ চন (বয়স ১৬ বছৰ) |
| স্থান | : | মিংগৰা, খাইবাৰ পাখটোনখা, পাকিস্তান |
| বাসস্থান | : | বাৰ্মিংহাম, ইংলেণ্ড |
| ধৰ্ম | : | ছুন্নী ইছলাম |
| পিতৃ | : | জিয়াউদ্দিন ইউচুফজাই |
| সন্মান | : | Honorary Canadian Citizenship |
| | | National Youth Peace Prize |
| | | Salkharov Prize |
| | | Simone de Beauvoir Prize |
| মালালাৰ বিষয়ে গ্ৰন্থ | : | I am Malala, The Girl who stood up for education and was shot by the Taliban. ❍ |

## ৰাজনীতি

# ভাৰতবৰ্ষৰ ৰাজ্যসমূহৰ বিষয়ে কিছু কথা

■ প্ৰণীতা দেৱী

স্বাধীনতা লাভ কৰাৰ আগতে ভাৰতবৰ্ষৰ ৰাজ্যসমূহ ব্ৰিটিছ শাসিত প্ৰদেশ আৰু দেশীয় ৰাজ্য—এই দুই ভাগত বিভক্ত আছিল।

ভাৰতৰ সংবিধানে 'প্ৰদেশ' শব্দটো আঁতৰাই 'ৰাজ্য' শব্দটো ব্যৱহাৰ কৰিছিল। ১৯৫০ চনৰ ২৬ জানুৱাৰিৰপৰা ১৯৫৬ চনৰ ১ নৱেম্বৰলৈ ভাৰতবৰ্ষত প্ৰধানকৈ চাৰি প্ৰকাৰৰ ৰাজ্যৰ অৱস্থিতি আছিল।

প্ৰথম খণ্ডৰ ৰাজ্যসমূহৰ ভিতৰত আছিল—অসম, বিহাৰ, বোম্বাই, মধ্যপ্ৰদেশ, মাদ্ৰাজ, উৰিষ্যা, উত্তৰ প্ৰদেশ, পশ্চিমবংগ আৰু পঞ্জাৱ। এই ৰাজ্যসমূহ একোজন নিৰ্বাচিত ৰাজ্যপাল আৰু ৰাজ্যিক বিধানমণ্ডলে যুটীয়াভাৱে শাসন কৰিছিল।

দ্বিতীয় খণ্ডৰ ৰাজ্যসমূহ আছিল—হায়দৰাবাদ, জম্মু আৰু কাশ্মীৰ, মধ্যভাৰত, মহীশূৰ, পাটিয়ালা আৰু পূব পঞ্জাৱৰ ৰাজ্যসংঘ, ৰাজস্থান, সৌৰাষ্ট্ৰ, ট্ৰেভেংকৰক'চিন। এই খণ্ডৰ ৰাজ্যসমূহ দেশীয় ৰাজ্য বা দেশীয় ৰাজ্যৰ সমষ্টি আছিল আৰু একোজন ৰাজ্যপ্ৰমুখে শাসন কৰিছিল।

তৃতীয় খণ্ডত আছিল আজমীৰ, ভুপাল, কূৰ্গ, দিল্লী, হিমাচল প্ৰদেশ, কচ্ছ, বিন্ধ্য প্ৰদেশ, মণিপুৰ আৰু ত্ৰিপুৰা। এই খণ্ডৰ অন্তৰ্গত ৰাজ্যসমূহ পূৰ্বৰ দেশীয় ৰাজ্য আৰু প্ৰদেশ আছিল। এই ৰাজ্যসমূহ চীফ কমিছনাৰৰ অধীনত আছিল।

আন্দামান আৰু নিকোবৰক চতুৰ্থ প্ৰকাৰৰ ৰাজ্য হিচাপে বিবেচনা কৰা হৈছিল আৰু প্ৰশাসনৰ দায়িত্ব ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতিৰদ্বাৰা নিযুক্ত এজন ৰাজ্যপালৰ হাতত অৰ্পণ কৰা হৈছিল।

ভাৰতবৰ্ষৰ সংবিধান অনুসৰি সাধাৰণ আইন প্ৰণয়ন প্ৰক্ৰিয়াৰদ্বাৰা নতুন ৰাজ্যৰ সৃষ্টি, নাম সলনি অথবা সীমাৰ পৰিবৰ্তন ঘটাব পাৰি।

# ৰাজনীতি

১৯৫৩ চনত কেন্দ্ৰীয় চৰকাৰে ভাষাৰ ভিত্তিত ৰাজ্যৰ সীমা পুনৰ নিৰ্ধাৰণৰ বাবে 'ৰাজ্য পুনৰ গঠন আয়োগ' গঠন কৰে। ১৯৫৬ চনত 'ৰাজ্য পুনৰ গঠন আইন' অনুমোদিত হয়। এই আইনৰ ভিত্তিত মুঠ ১৪ খন ৰাজ্য আৰু ৬ খন কেন্দ্ৰীয়শাসিত অঞ্চলৰ সৃষ্টি কৰা হয়। ৰাজ্যসমূহ হ'ল—জম্মু-কাশ্মীৰ, পঞ্জাৱ, উত্তৰ প্ৰদেশ, বিহাৰ, বংগ, অসম, উৰিষ্যা, অন্ধ্ৰ, মাদ্ৰাজ, কেৰালা, মহীশূৰ, বোম্বাই, মধ্যপ্ৰদেশ আৰু ৰাজস্থান। কেন্দ্ৰীয়শাসিত অঞ্চলসমূহ হ'ল—দিল্লী, মণিপুৰ, ত্ৰিপুৰা, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, লাক্ষাদ্বীপ, মিনিকয় আৰু আমিনদিবি দ্বীপ আৰু হিমাচল প্ৰদেশ।

১৯৬০ চনত 'বোম্বাই পুনৰ গঠন আইন'ৰ ভিত্তিত বোম্বাইক দ্বিখণ্ডিত কৰি গুজৰাট আৰু মহাৰাষ্ট্ৰ গঠন কৰা হয়।

১৯৬১ চনত দশম সংবিধান সংশোধনী আইন অনুসৰি দাদৰা আৰু নগৰ হাভেলিক কেন্দ্ৰীয়শাসিত অঞ্চল হিচাপে স্বীকৃতি দিয়া হয়।

১৯৬২ চনত দ্বাদশ সংবিধান সংশোধনী আইন অনুসৰি গোৱা, দমন আৰু ডিউক কেন্দ্ৰীয়শাসিত অঞ্চল হিচাপে স্বীকৃতি দিয়া হয়। অৱশ্যে ১৯৮৭ চনৰ 'গোৱা, দমন আৰু ডিউ পুনৰ গঠন আইন'ৰ ভিত্তিত গোৱাক ৰাজ্যৰ মৰ্যাদা দিয়া হয়।

১৯৬২ চনতেই চতুৰ্দশ সংবিধান সংশোধনী আইন অনুসৰি পুডুচেৰীক কেন্দ্ৰীয়শাসিত অঞ্চল হিচাপে স্বীকৃতি দিয়া হয়।

১৯৬৩ চনত অসমৰ নগা পাহাৰ আৰু টুৱেনচাঙ লগলগাই পৃথক নাগালেণ্ড ৰাজ্য গঠন কৰা হয়।

১৯৬৬ চনৰ 'পঞ্জাৱ পুনৰ গঠন আইন' অনুসৰি পঞ্জাৱক দ্বিখণ্ডিত কৰি হাৰিয়ানা ৰাজ্য গঠন কৰা হৈছিল আৰু চণ্ডীগড়ক কেন্দ্ৰীয়শাসিত অঞ্চল হিচাপে স্বীকৃতি দিয়া হৈছিল।

১৯৭১ চনত হিমাচল প্ৰদেশে ৰাজ্যৰ মৰ্যাদা লাভ কৰিছিল।

১৯৭২ চনত কেন্দ্ৰীয়শাসিত অঞ্চল মণিপুৰ আৰু ত্ৰিপুৰা আৰু অৰ্ধৰাজ্য মেঘালয়ে পূৰ্ণাংগ ৰাজ্যৰ মৰ্যাদা লাভ কৰিছিল। একেটা বছৰতে মিজোৰাম আৰু অৰুণাচল প্ৰদেশে কেন্দ্ৰীয়শাসিত অঞ্চল হিচাপে স্বীকৃতি পাইছিল।

১৯৭৫ চনৰ ৩৬ সংখ্যক সংবিধান সংশোধনী আইন অনুসৰি চিকিমক ৰাজ্যৰ মৰ্যাদা দিয়া হয়।

১৯৮৭ চনত মিজোৰাম, অৰুণাচল প্ৰদেশ আৰু গোৱাই ৰাজ্যৰ মৰ্যাদা লাভ কৰে।

২০০০ চনত ছত্তিশগড়, ঝাৰখণ্ড আৰু উত্তৰাখণ্ড ৰাজ্য গঠন কৰা হয়।

বৰ্তমান ভাৰতবৰ্ষত ২৮ খন ৰাজ্য আৰু ৬ খন কেন্দ্ৰীয়শাসিত অঞ্চল আছে। দিল্লীক ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চল হিচাপে স্বীকৃতি দিয়া হৈছে। শেহতীয়াকৈ বহু বিতৰ্কৰ মাজেৰে টেলেংগানা ৰাজ্য গঠন বিধেয়কখনত ভাৰতৰ দুয়োখন সদনে অনুমোদন জনাইছে। ❍

## অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থী কল্পজ্যোতি পাঠকৰ আকস্মিক বিয়োগ



জন্ম : ২৫ জুন, ১৯৯৭
মৃত্যু : ১০ ফেব্ৰুৱাৰি, ২০১৪

এক ৰেল দুৰ্ঘটনাত অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থী কল্পজ্যোতি পাঠকৰ যোৱা ১০ ফেব্ৰুৱাৰি তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। কল্পজ্যোতি দশম শ্ৰেণীৰ ছাত্ৰ আছিল। তেওঁ চানমাৰিৰ চাণক্য পাঠক আৰু প্ৰমিলা পাঠকৰ একমাত্ৰ পুত্ৰ আছিল। শিক্ষাৰ্থীগৰাকীৰ বিয়োগে আমাক মৰ্মাহত কৰিছে। অসম জাতীয় বিদ্যালয় পৰিয়ালে তেওঁৰ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে তেওঁৰ পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

# ভাৰতীয় ঔদ্যোগিক জগতৰ দুজন পুৰোধা ব্যক্তি

**জাহাংগীৰ ৰতনজী দাদাভয় টাটা :** জাহাংগীৰ ৰতনজী দাদাভয় টাটা বা চমুকৈ জেআৰডি টাটা ভাৰতীয় শীৰ্ষস্থানীয় উদ্যোগপতিসকলৰ ভিতৰত অন্যতম। তেওঁ কাৰ্যক্ষমতা আৰু দূৰদৰ্শিতাৰ জৰিয়তে ভাৰতীয় উদ্যোগিক জগতখনত এক সুকীয়া স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। তেওঁ ভাৰতৰ প্ৰথমজন পাইলট আছিল আৰু পিছলৈ 'এয়াৰ ইণ্ডিয়া'ৰ জন্ম দিছিল। মাত্ৰ ৩৪ বছৰ বয়সতে ১৯৩৮ চনত তেওঁৰ আজো ককাকে স্থাপন কৰা 'টাটা ছনছ্'ৰ (Tata Sons, ১৮৭৭) চেয়াৰমেন পদত অধিষ্ঠিত হৈছিল। ৬৪ বিলিয়ন ডলাৰ মূল্যৰ টাটা ছনছ কোম্পানীটোৰ ব্যৱসায় আছিল তীখা, বস্ত্ৰ আৰু বিমান পৰিবহন। বৰ্তমান ইয়াৰ পৰিসৰ আৰু বৃদ্ধি পাইছে। প্ৰতিকূল উদ্যোগিক পৰিৱেশত নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰা জে.আৰ.ডি. টাটাৰ জন্ম হৈছিল ২৯ জুলাই, ১৯০৪ চনত। ৫২ বছৰ ধৰি তেওঁ ভাৰতৰ এই সৰ্ববৃহৎ ঔদ্যোগিক গ্ৰুপটোৰ চেয়াৰমেন হৈ থাকি এক বিৰল দৃষ্টান্ত দাঙি ধৰিবলৈ সক্ষম হৈছিল। তেওঁৰ নেতৃত্বত কোম্পানীটোৱে তীখা, বিদ্যুৎ শক্তি, ৰাসায়নিক দ্ৰব্য আৰু যানবাহন উৎপাদনত শ্ৰেষ্ঠত্ব লাভ কৰিছিল। 'ভাৰত ৰত্ন'ৰে বিভূষিত টাটাৰ সাফল্য আছিল অবিস্মৰণীয়। ভাৰতবৰ্ষক এখন সুখী দেশৰূপে প্ৰতিষ্ঠা কৰাৰ সপোন দেখা জে.আৰ.ডি. এজন সঁচা অৰ্থত সহজ-সৰল তথা অমায়িক ব্যক্তি আছিল। কোনো কাৰ্যকে সৰু বুলি নভবা টাটাই সৰু-বৰ সকলোৰেপৰা সন্মান আৰু সমীহ আদায় কৰিছিল। আজি 'টাটা' গ্ৰুপৰ খ্যাতি তথা বিস্তাৰ সৰ্বজনবিদিত। এনে ক্ষেত্ৰত জে.আৰ.ডি. টাটাৰ অৱদানো অনস্বীকাৰ্য। সকলোকে অনুপ্ৰাণিত কৰিব পৰা ব্যক্তিত্বৰ অধিকাৰী জে.আৰ.ডি. টাটাৰ মৃত্যু হয় ১৯৯৩ চনৰ নৱেম্বৰ মাহত।



**ধীৰুভাই আম্বানি :** চিনেমাৰ কাহিনীৰ দৰেই ধীৰুভাই আম্বানিৰ জীৱন। শূন্যৰপৰা আৰম্ভ কৰি তেওঁ সফলতাৰ চূড়ান্ত শিখৰত আৰোহণ কৰিছিল। তেওঁ ৯০ৰ দশকত ২০-৩০ লাখ টকা মূল্যৰ ফাৰ্ম এখনক ৯০,০০০ কোটি টকা বজাৰ মূল্যৰ এক বাণিজ্যিক উদ্যোগৰ ৰূপ দিছিল। ১৯৪৯ চনত মধ্য প্ৰাচ্যৰ এ.বেছ. এণ্ড কোম্পানীৰ কেৰাণী হিচাপে তেওঁ ১৬ বছৰ বয়সত কৰ্মজীৱন আৰম্ভ কৰে। পিছত মুম্বাইলৈ আহি ১৯৫৮ চনত ধীৰুভায়ে ৰিলায়েন্স কমাৰ্চিয়েল ক'ৰপ'ৰেছন মুকলি কৰে। ১৫ লাখ টকাৰ বিনিয়োগেৰে ১৯৬৬ চনত বস্ত্ৰ উদ্যোগ স্থাপন কৰে। ১৯৮২ চনত পাতালগংগাত পলিষ্টাৰ ফিলামেণ্ট য়াৰ্ন উদ্যোগ স্থাপন কৰে। সৰ্বমুঠ ৩৬০০০ কোটি টকাৰ বিনিয়োগেৰে তেওঁ ৰিলায়েন্স গ্ৰুপক ভাৰতৰ বস্ত্ৰ, পেট্ৰ'লিয়াম, পেট্ৰ'কেমিকেলছ, শক্তি, টেলিফ'ন কোম্পানীৰ শীৰ্ষস্থানীয় আসনত অধিষ্ঠিত কৰাইছিল। ধীৰুভায়ে ২৭ বিলিয়ন টন ক্ষমতাৰ এছিয়াৰ সৰ্ববৃহৎ শোধনাগাৰ স্থাপন কৰিছিল যাৰ মূল্য আছিল প্ৰায় ২৮০০০ কোটি টকা। তেওঁ আছিল এজন দুখীয়া স্কুল শিক্ষকৰ পুত্ৰ, যিয়ে এসময়ত ৰাস্তাত পকৰি বিক্ৰী কৰিছিল। বৰ্তমান ৰিলায়েন্স গ্ৰুপৰ মুঠ ৰাজহ ৫৫০০০ কোটি টকাৰ অধিক আৰু মুঠ সম্পত্তিৰ পৰিমাণ প্ৰায় ৮০০০০ কোটি টকা। ২০০২ চনত তেওঁৰ মৃত্যুয়ে ভাৰতীয় উদ্যোগ জগতখনৰ এক অপূৰণীয় ক্ষতি কৰে। ❍



# কুইজ

■ ধ্ৰুৱ শৰ্মা

১। প্ৰথম বিশ্বযুদ্ধৰ সমাপ্তিৰ লগত জড়িত চুক্তিখনৰ নাম কি?

২। ৰামকৃষ্ণ মিছন কেতিয়া প্ৰতিষ্ঠা হৈছিল?

৩। বিশ্বৰ প্ৰথমটো ডাকটিকট কেতিয়াৰপৰা প্ৰচলন হৈছিল?

৪। মহামানৱ মহাত্মা গান্ধী কেতিয়া প্ৰথমবাৰৰ বাবে অসমলৈ আহিছিল?

৫। অসমৰ প্ৰথমখন ইংৰাজী ভাষাৰ সাদিনীয়া সংবাদপত্ৰৰ নাম কি?

৬। ভাৰতৰ স্বাধীনতা আন্দোলনৰ প্ৰথমটো কৃষক বিদ্ৰোহৰ নাম কি?

৭। কলিকতাস্থিত হিন্দু কলেজৰ বৰ্তমানৰ নাম কি?

৮। ভাৰতৰ প্ৰথম উচ্চ ন্যায়ালয় ক'ত স্থাপন হৈছিল?

৯। স্বাধীন ভাৰতৰ প্ৰথম লোকপিয়ল কেতিয়া হৈছিল?

১০। অসমৰ আটাইতকৈ পুৰণি অসমীয়া সাপ্তাহিক বাতৰিকাকতখনৰ নাম কি?

১১। ভাৰতৰ শেষৰগৰাকী ভাইচৰয়ৰ নাম কি আছিল?

১২। মানুহৰ তেজৰ গ্ৰুপৰ আৱিষ্কাৰক কোন?

১৩। জ্ঞানপীঠ বঁটা বিজয়ী প্ৰথমগৰাকী মহিলা কোন?

১৪। কৰ্ণাটকৰ পুৰণি নাম কি?

১৫। গ্ৰিণউইচ মান মন্দিৰ কেতিয়া প্ৰতিষ্ঠা হৈছিল?

১৬। ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ প্ৰথম মহিলা আৰু প্ৰথম ভাৰতীয় সভাপতি কোন আছিল?

১৭। স্বাধীন ভাৰতৰ প্ৰথমগৰাকী উপ-প্ৰধানমন্ত্ৰী কোন আছিল?

১৮। অসম ছাত্ৰ সন্মিলনৰ প্ৰথম অধিবেশনৰ সভাপতি কোন আছিল?

১৯। ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰথম অধিবেশন ক'ত হৈছিল?

২০। অসমীয়া ভাষা-সাহিত্যৰ প্ৰথম ডক্টৰেট অসমীয়া মহিলা কোন?

২১। ভাৰতৰ পাৰমাণৱিক শক্তি আয়োগৰ প্ৰথম অধ্যক্ষ কোন আছিল?

২২। পলিঅ' ৰোগৰ প্ৰতিষেধক ছিটাৰ আৱিষ্কাৰক কোন?

২৩। 'The Assam Tribune'ৰ প্ৰথম প্ৰকাশ কেতিয়া হৈছিল?

২৪। সদ্য সমাপ্ত মুম্বাই আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত 'সোণালী শংখ' বঁটা লাভ কৰা চলচ্চিত্ৰখনৰ নাম আৰু পৰিচালকৰ নাম কি?

২৫। ২০১৩ চনৰ বিজ্ঞান আৰু প্ৰযুক্তি-বিদ্যা, যোগাযোগৰ সৰ্বোচ্চ ৰাষ্ট্ৰীয় বঁটা কোনে লাভ কৰে? ❍

## তোমালোকৰ বাবে প্ৰশ্ন

১। মেন বুকাৰ লাভ কৰা প্ৰথমগৰাকী ভাৰতীয় কোন?

২। মেগাছেছে বঁটা কোনজন ব্যক্তিৰ নামত দিয়া হয়? তেওঁ কোন আছিল?

৩। ডাক সূচ্যাংক (PIN)ৰ আখৰকেইটাই কি কি কথা প্ৰতিনিধিত্ব কৰে?

৪। ধ্ৰুৱতৰা কোনটো নক্ষত্ৰ মণ্ডলৰ সদস্য?

৫। 'হাচ্চ' কোনটো জনগোষ্ঠীৰ উৎসৱ?

(উত্তৰবোৰ তোমালোকে নিজে বিচাৰি ১৫ মাৰ্চ তাৰিখৰ আগেয়ে পোৱাকৈ সম্পাদক, **'অন্বেষণ'** এই ঠিকনালৈ পঠাবা। সম্পূৰ্ণ শুদ্ধ উত্তৰ দিওঁতাসকলৰ নাম পৰৱৰ্তী সংখ্যাত প্ৰকাশ কৰা হ'ব।)

# ৰাজ্যসভাৰ নিৰ্বাচন

■ ৰুণিমা শৰ্মা

নিৰ্বাচন হ'ল গণতন্ত্ৰৰ ভেটিস্বৰূপ। সংসদীয় গণতান্ত্ৰিক দেশ হিচাপে ভাৰতবৰ্ষতো নিৰ্বাচনে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। ভাৰতবৰ্ষৰ সংসদৰ দুখন সদন আছে—লোকসভা আৰু ৰাজ্যসভা। লোকসভাক নিম্নসদন আৰু ৰাজ্যসভাক উচ্চসদন বুলি কোৱা হয়। লোকসভাৰ নিৰ্বাচনত প্ৰতিজন নাগৰিকে নিজে ভোটদান কৰিব পাৰে। আনহাতে ৰাজ্যসভাৰ বাবে প্ৰতিনিধি নিৰ্বাচনৰ প্ৰক্ৰিয়াটো বেলেগ ধৰণৰ। প্ৰতিখন ৰাজ্যৰ বাবে ৰাজ্যসভাত নিৰ্দিষ্ট সংখ্যক আসন থাকে আৰু ৰাজ্যসমূহৰ বিধানসভাৰ সদস্যসকলে ৰাজ্যসভাৰ সদস্যসকলক নিৰ্বাচিত কৰে। প্ৰতিখন ৰাজ্যৰ বিধানসভাৰ সদস্যসকলে প্ৰাৰ্থীসকলক নিজৰ পছন্দ অনুসৰি ভোট প্ৰদান কৰে। অৰ্থাৎ ভোটাৰসকলে প্ৰাৰ্থীসকলৰ নামৰ কাষত নিজৰ পছন্দ অনুসাৰে প্ৰথম, দ্বিতীয় বা তৃতীয় পছন্দৰ প্ৰাৰ্থী হিচাবে ভোটদান কৰে। এই ক্ষেত্ৰত ভোটাৰসকলে প্ৰতিজন প্ৰাৰ্থীৰ নামৰ বিৰুদ্ধে নিজৰ পছন্দ অনুসৰি '১', '২', '৩' আদি সংখ্যাসমূহ বহুৱাই ভোটদান কাৰ্য সম্পন্ন কৰে। ৰাজ্যসভাৰ নিৰ্বাচনত জয়ী হ'বলৈ এজন প্ৰাৰ্থীয়ে ভোটৰ ন্যূনতম কোটা বা সংখ্যা লাভ কৰিব লাগিব। এই ন্যূনতম কোটা নিৰ্ণয় কৰা সূত্ৰটো হ'ল—

$$\left(\frac{\text{সৰ্বমুঠ বৈধ ভোট}}{\text{নিৰ্বাচন কৰিবলগীয়া প্ৰাৰ্থীৰ সংখ্যা} + ১}\right) + ১$$

এতিয়া আমি আহিছোঁ যোৱা ৭ ফেব্ৰুৱাৰিত অসমত অনুষ্ঠিত হোৱা ৰাজ্যসভাৰ নিৰ্বাচনলৈ য'ত অসমৰ তিনিখন আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হৈছিল। অসম বিধানসভাৰ বিধায়কসকলে সৰ্বমুঠ চাৰিজন প্ৰাৰ্থীৰ ভিতৰত তিনিখন আসনৰ বাবে এই নিৰ্বাচনত ভোটদান কৰিছিল। আমি সকলোৱে জানো যে অসম বিধানসভাৰ সৰ্বমুঠ সদস্য সংখ্যা ১২৬। অৰ্থাৎ ৰাজ্যসভাৰ তিনিখন আসনৰ প্ৰাৰ্থী বাচনি কৰিবলৈ সৰ্বমুঠ ১২৬ গৰাকী ভোটাৰে অংশগ্ৰহণ কৰিছিল। এই ক্ষেত্ৰত উক্ত সূত্ৰ অনুসৰি এজন প্ৰাৰ্থী নিৰ্বাচিত হ'বলৈ তেওঁ লাভ কৰিবলগীয়া ভোটৰ ন্যূনতম কোটা হ'ল—

$$\left(\frac{১২৬}{৩ + ১}\right) + ১$$

$$= \frac{১২৬}{৪} + ১$$

$$= ৩১.৫ + ১$$

$$= ৩২.৫$$

অৰ্থাৎ ২০১৪ চনৰ ৰাজ্যসভাৰ নিৰ্বাচনত জয়ী হ'বলৈ এজন প্ৰাৰ্থীয়ে ন্যূনতম ৩২টা ভোট পাব লাগিব। এই ক্ষেত্ৰত অসমৰ চাৰিজন প্ৰাৰ্থী প্ৰদেশ কংগ্ৰেছৰ সঞ্জয় সিং, ভুৱনেশ্বৰ কলিতা, বি.পি.এফ. দলৰ বিশ্বজিৎ দৈমাৰী আৰু বিৰোধী দলৰ হাইদৰ হুছেইনে প্ৰথম পছন্দৰ ভোট (অৰ্থাৎ '১' বুলি ভোটদান কৰা ভোট) লাভ কৰে ক্ৰমে ৩২, ৩২, ২৯ আৰু ২৬। অৰ্থাৎ এই নিৰ্বাচনৰ যাদুকৰী সংখ্যা '৩২'টা ভোট পাবলৈ সমৰ্থ হয় শাসকীয় দলৰ দুয়োজন প্ৰাৰ্থী ক্ৰমে সঞ্জয় সিং আৰু ভুৱনেশ্বৰ কলিতা। এই ক্ষেত্ৰত প্ৰথম পছন্দৰ আটাইতকৈ কম সংখ্যক ভোট লাভ কৰা বিৰোধী দলৰ প্ৰাৰ্থী হাইদৰ হুছেইন প্ৰতিদ্বন্দ্বিতাৰপৰা বাদ পৰে। সঞ্জয় সিং আৰু ভুৱনেশ্বৰ কলিতাই পোনপটীয়াকৈ ৰাজ্যসভাত আসন লাভ কৰাৰ লগে লগে অসমৰ কাৰণে ৰাজ্যসভাত এখন আসন বাকী ৰয়। এই ক্ষেত্ৰত বিশ্বজিৎ দৈমাৰীলৈ তেওঁ লাভ কৰা দ্বিতীয় পছন্দৰ (৬৪) ভোটসমূহ হস্তান্তৰ কৰা হয় যাৰ ফলত তেওঁ ভোটৰ ন্যূনতম কোটা (৩২) লাভ কৰিবলৈ সক্ষম হয়। অৰ্থাৎ ৰাজ্যসভাৰ তিনিওখন আসন লাভ কৰিবলৈ সক্ষম হয় শাসকীয় মিত্ৰজোঁটৰ তিনিওজন প্ৰাৰ্থী। সৰ্বমুঠ পাঁচটা ভোট নাকচ হোৱা বাবে বিৰোধী দলৰ প্ৰাৰ্থী হাইদৰ হুছেইন প্ৰথম পছন্দৰ আটাইতকৈ কম সংখ্যক ভোট লাভ কৰি পৰাজিত হয়। ❍

*(বি.দ্ৰ. : অসম, পশ্চিমবংগ, উৰিষ্যা আৰু অন্ধ্ৰপ্ৰদেশৰ মুঠ ১৮খন ৰাজ্যসভা আসনৰ বাবে ৭ ফেব্ৰুৱাৰিত নিৰ্বাচন অনুষ্ঠিত হয়।)*

# অসমৰ সাহিত্যক্ষেত্ৰৰ উল্লেখযোগ্য বঁটা-বাহন

■ লিপিমণি দত্ত

**অসম উপত্যকা সাহিত্য বঁটা :** অসম উপত্যকা সাহিত্য বঁটা হৈছে অসমীয়া সাহিত্যৰ সৰ্বোচ্চ পুৰস্কাৰ। সৃজনীমূলক অসমীয়া সাহিত্যত স্মৰণীয় বৰঙণি আগবঢ়োৱা ব্যক্তিক ৱিলিয়ামছনচ মেগৰ (Williamsons Magor) শৈক্ষিক ন্যাসে এই বঁটা প্ৰদান কৰে। ১৯৯০ চনৰপৰা আৰম্ভ কৰা এই বঁটা লাভ কৰা প্ৰথমগৰাকী সাহিত্যিক আছিল ড° ভবেন্দ্ৰ নাথ শইকীয়া। এই বঁটাত আছে নগদ দুই লাখ টকা, এখন প্ৰশস্তি পত্ৰ আৰু বিশেষভাৱে নিৰ্মিত এটা ট্ৰফী। প্ৰখ্যাত অসমীয়া ভাস্কৰ আৰু চিত্ৰশিল্পী শোভা ব্ৰহ্মাই এই বঁটাটোৰ আৰ্হি প্ৰস্তুত কৰিছিল। ২০১৩ চনত বিশিষ্ট গল্পকাৰ তথা ঔপন্যাসিক অতুলানন্দ গোস্বামীয়ে এই বঁটা লাভ কৰে।

**মুনীন বৰকটকী বঁটা :** অসমীয়া ভাষা আৰু সাহিত্যলৈ বিশেষ অৱদান বুলি পৰিগণিত হোৱা সৃষ্টিধৰ্মী বা সমালোচনামূলক গ্ৰন্থ বা পাণ্ডুলিপিৰ বাবে প্ৰতি বছৰে এই বঁটা প্ৰদান কৰা হয়। মুনীন বৰকটকী স্মাৰক ন্যাসৰদ্বাৰা প্ৰদত্ত এই বঁটাত আছে নগদ ২৫,০০০ টকা আৰু এখন মানপত্ৰ। ২০১৩ চনত মুনীন বৰকটকী বঁটা লাভ কৰিছে কবি মৃদুল হালৈ (অকলে আছোঁ কুশলে আছোঁ) আৰু গল্পকাৰ অপু ভৰদ্বাজে (মস্তিষ্কৰ চিনেমা)।

**অসম সাহিত্য সভাই আগবঢ়োৱা বিবিধ বঁটা :** অসমীয়া ভাষাৰ বিকাশ আৰু প্ৰসাৰৰ উদ্দেশ্যে ১৯১৭ চনত গঠন হোৱা অসম সাহিত্য সভায়ো বিবিধ পুৰস্কাৰ আগবঢ়াই আহিছে। তাৰ ভিতৰত উল্লেখযোগ্য হৈছে :

**কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা বঁটা :** অসমৰ জাতীয় সমন্বয় সাধন আৰু উচ্চ আদৰ্শ প্ৰতিফলন কৰাৰ ক্ষেত্ৰত শ্ৰেষ্ঠ বুলি বিবেচিত মৌলিক গ্ৰন্থৰ গ্ৰন্থকাৰক এই বঁটা প্ৰদান কৰা হয়।

**অম্বিকাগিৰি ৰায়চৌধুৰী বঁটা :** জাতীয় চেতনা আৰু মানৱীয় মূল্যবোধ প্ৰকাশিত সৃষ্টিশীল আৰু আলোচনামূলক গ্ৰন্থৰ গ্ৰন্থকাৰক সাহিত্য সভাৰ অম্বিকাগিৰি ৰায়চৌধুৰী বঁটা প্ৰদান কৰা হয়।

**গিৰিধৰ শৰ্মা বঁটা :** অসম সাহিত্য সভাই নবীন লেখক-লেখিকাৰ মাজত উপন্যাস প্ৰতিযোগিতা আয়োজন কৰি শ্ৰেষ্ঠ বিবেচিত লেখকক এই বঁটাৰে পুৰস্কৃত কৰে।

**সীতানাথ ব্ৰহ্মচৌধুৰী স্মাৰক বঁটা :** অসমীয়া জাতি-উপজাতিৰ সমন্বয় আৰু সংহতি বিষয়ক কেন্দ্ৰ কৰি ৰচিত গ্ৰন্থৰ বাবে এই বঁটা প্ৰদান কৰা হয়।

**মোহন চন্দ্ৰ শৰ্মা বঁটা :** অসমীয়া ভাষাত প্ৰকাশিত বছৰৰ শ্ৰেষ্ঠ তত্ত্বগধুৰ মৌলিক গদ্য গ্ৰন্থৰ গ্ৰন্থকাৰক মোহন চন্দ্ৰ শৰ্মা বঁটা অসম সাহিত্য সভাই প্ৰদান কৰে।

**মহানন্দ বৰুৱা-শশীপ্ৰভা বৰুৱা বঁটা :** পঁচিছ বছৰৰ অনুৰ্ধ গল্প লেখকসকলৰ মাজত প্ৰতিযোগিতা আহ্বান কৰি শ্ৰেষ্ঠ বিবেচিতজনক এই বঁটাৰে পুৰস্কৃত কৰা হয়।

**নকুল চন্দ্ৰ সভাপণ্ডিত সোঁৱৰণী বঁটা :** ৬ বছৰৰপৰা ৯ বছৰ বয়সৰ শিশু উপযোগী সাহিত্যৰ শ্ৰেষ্ঠ পাণ্ডুলিপিৰ বাবে এই বঁটা প্ৰদান কৰা হয়। আনহাতে বছৰৰ শ্ৰেষ্ঠ শিশুপুথিৰ গ্ৰন্থকাৰক প্ৰেমধৰ দত্ত সোঁৱৰণী বঁটা প্ৰদান কৰা হয়।

**গোপাল চন্দ্ৰ গোস্বামী বঁটা :** বছৰটোৰ ভিতৰত প্ৰকাশিত বিজ্ঞান বিষয়ক পুথিৰ জনপ্ৰিয় আৰু শ্ৰেষ্ঠ পুথিখনৰ বাবে এই বঁটা আগবঢ়োৱা হয়।

**উত্তম চন্দ্ৰ বৰুৱা সোঁৱৰণী বঁটা :** অসম সাহিত্য সভাই অসমীয়া ভাষাত ৰচিত ৩৫ বছৰৰ তলৰ নাট্যকাৰৰ

পূৰ্ণাংগ শ্ৰেষ্ঠ নাটকৰ পাণ্ডুলিপিৰ বাবে উত্তম চন্দ্ৰ বৰুৱা সোঁৱৰণী বঁটা প্ৰদান কৰা হয়।

**হৰিপ্ৰসাদ নেওগ মুদ্ৰণ আৰু অলংকৰণ বঁটা :** অসমীয়া ভাষাত প্ৰকাশিত মুদ্ৰণ আৰু অলংকৰণত শ্ৰেষ্ঠ গ্ৰন্থখনক প্ৰতি বছৰে অসম সাহিত্য সভাই এই বঁটা প্ৰদান কৰে।

**হেম বৰুৱা সোঁৱৰণী বঁটা :** ৰাজনৈতিক পটভূমিত অসমীয়া ভাষাত ৰচিত শ্ৰেষ্ঠ মৌলিক ভ্ৰমণ-সাহিত্যৰ বাবে প্ৰতি তিনি বছৰৰ মূৰে মূৰে অসম সাহিত্য সভাই এই বঁটা প্ৰদান কৰে।

**বাসন্তী বৰদলৈ বঁটা :** মহিলা লেখিকাৰদ্বাৰা ৰচিত গল্প, কবিতা, নাটক, উপন্যাস আদি মৌলিক সাহিত্য আৰু গৱেষণামূলক গ্ৰন্থৰ বাবে প্ৰতি বছৰে অসমীয়া সাহিত্যৰ শ্ৰেষ্ঠ মহিলা সাহিত্যিকক বাসন্তী বৰদলৈ বঁটা আগবঢ়োৱা হয়।

**দুৰ্গাধৰ বৰকটকী সোঁৱৰণী বঁটা :** পুৰণি পুথিৰ সম্পাদনা, পুৰণি সাহিত্য সম্পৰ্কে ৰচিত গৱেষণামূলক বা সমালোচনামূলক গ্ৰন্থ অথবা পুৰণি সাহিত্য সম্পৰ্কীয় তত্ত্বমূলক গ্ৰন্থৰ গ্ৰন্থকাৰক প্ৰতি দুবছৰৰ মূৰে মূৰে অসম সাহিত্য সভাই এই বঁটা আগবঢ়ায়।

**কুমাৰ কিশোৰ সোঁৱৰণী বঁটা :** অসমীয়া ভাষাত ৰচিত শ্ৰেষ্ঠ মৌলিক উপন্যাসক প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে অসম সাহিত্য সভাই এই বঁটা প্ৰদান কৰে।

**ছগনলাল জৈন বঁটা :** অসমীয়া ভাষাত প্ৰকাশিত শ্ৰেষ্ঠ মৌলিক গ্ৰন্থৰ বাবে প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে এই বঁটা প্ৰদান কৰা হয়।

**উগ্ৰতৰা ন্যাস বঁটা :** অসম সাহিত্য সভাই বছৰৰ শ্ৰেষ্ঠ মৌলিক কাব্যগ্ৰন্থখনৰ বাবে এই বঁটা আগবঢ়ায়।

**মামণি ৰয়ছম গোস্বামী ৰাষ্ট্ৰীয় সাহিত্য বঁটা :** অসম সাহিত্য সভাই শেহতীয়াকৈ প্ৰৱৰ্তন কৰিছে মামণি ৰয়ছম গোস্বামী ৰাষ্ট্ৰীয় সাহিত্য বঁটা। এই বঁটাত আছে নগদ তিনি লাখ টকা, স্মাৰক, জাতীয় আদৰণি বস্ত্ৰ, গ্ৰন্থৰ টোপোলা ইত্যাদি। ২০১৩-১৪ বৰ্ষৰ মামণি ৰয়ছম গোস্বামী বঁটা লাভ কৰিছে বিশিষ্ট সাহিত্যিক মহাশ্বেতা দেৱীয়ে।

**ড° ভূপেন হাজৰিকা আন্তঃৰাষ্ট্ৰীয় বঁটা :** অসম সাহিত্য সভাই শেহতীয়াকৈ নুমলীগড় তেল শোধনাগাৰৰ পৃষ্ঠপোষকতাত ড° ভূপেন হাজৰিকা আন্তঃৰাষ্ট্ৰীয় বঁটা প্ৰৱৰ্তন কৰিছে। প্ৰথমবাৰৰ বাবে এই বঁটা লাভ কৰিছে বাংলাদেশৰ যশস্বী শিল্পী লুবনা মৰিয়মে।

এইসমূহ বঁটাৰ উপৰি স্থানীয়ভাৱে বিভিন্ন সংগঠন, কাকত-আলোচনী, প্ৰকাশন প্ৰতিষ্ঠানে সাহিত্যিকসকলৰ সাহিত্য কৰ্মৰ স্বীকৃতি স্বৰূপে বঁটা প্ৰদান কৰি আহিছে। পণ্ডিতপ্ৰবৰ আনন্দৰাম বৰুৱাৰ পবিত্ৰ স্মৃতিত অসম চৰকাৰৰদ্বাৰা স্থাপিত স্বায়ত্তশাসিত গৱেষণা প্ৰতিষ্ঠান 'আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা'ই প্ৰতি বছৰে একোজন পণ্ডিত ব্যক্তিক তেখেতৰ জীৱনজোৰা সাধনাৰ বাবে আনন্দৰাম বৰুৱা বঁটা আগবঢ়াই আহিছে। সংস্কৃত অধ্যয়ন, ভাষাতত্ত্ব, সাহিত্য, কলা আৰু সংস্কৃতিৰ ক্ষেত্ৰত উচ্চমানৰ পাণ্ডিত্যৰ স্বীকৃতি স্বৰূপে এই বঁটা আগবঢ়োৱা হয়। অসমৰ আগশাৰীৰ সাহিত্য আলোচনী 'গৰীয়সী'য়ে চন্দ্ৰপ্ৰসাদ শইকীয়াৰ সোঁৱৰণত উন্নতমানৰ চুটিগল্পৰ বাবে 'কথা' পুৰস্কাৰ আৰু 'আঁক-বাক' নামৰ প্ৰকাশন প্ৰতিষ্ঠানে উপন্যাসৰ বাবে বঁটা প্ৰদান কৰি আহিছে। ❍

## তোমালোকে জানানে?

- আৰ্মাডিল'ৰ এবাৰত চাৰিটাকৈ পোৱালি জন্ম হয়। চাৰিওটা একে লিংগৰেই হয়।
- ইংৰাজী ভাষাত আটাইতকৈ বেছি ব্যৱহৃত বৰ্ণটো হৈছে E আৰু কম ব্যৱহৃত বৰ্ণটো হৈছে Q।
- লালটিৰ লগত মিহলি নহ'লে খাদ্যৰ সোৱাদ পোৱা নাযায়।

■ অভিজিত শৰ্মা বৰুৱা

## সৌৰ বিকিৰণ ব্যৱস্থাপনাৰে গোলকীয় উত্তাপন ৰোধ

গোলকীয় উত্তাপন ৰোধৰ ক্ষেত্ৰত এক নতুন আৰু অনন্য ব্যৱস্থা হ'ল সৌৰ বিকিৰণ ব্যৱস্থাপনা বা ছলাৰ ৰেডিয়েছন মেনেজমেণ্ট (Solar Radiation Management, এছ আৰ এম)। এছ আৰ এম মূলতঃ ভূআভিযান্ত্ৰিক নিৰ্ভৰ এক পদ্ধতি যাৰ সহায়ত ক্ষুদ্ৰ ছালফেট নিৰ্ভৰ কণা বায়ুমণ্ডলৰ ওপৰৰ অংশত মেলি দিব পৰা যায়। সেইবোৰে সূৰ্যৰ ৰশ্মি প্ৰতিফলিত কৰিব পাৰিব, ফলত গোলকীয় উত্তাপন কমিব আৰু গ্ৰহটোৰ উষ্ণতা কমি যাব। পাছে দেখা গৈছে যে যদিহে সেয়া নিয়ন্ত্ৰিত আৰু অবিৰত নহয় বা তাৰ নিয়ন্ত্ৰণ ঠিকমতে কৰিব পৰা নাযায়, তেন্তে শাপেই বৰ হোৱাৰ পৰিৱৰ্তে বৰেই শাপ হ'ব আৰু গোলকীয় উষ্ণতা বাঢ়িহে যাব। এছ আৰ এম পদ্ধতি বৰ খৰচী নহয় আৰু ই অৰ্থনৈতিকভাৱে আৰু প্ৰযুক্তিগতভাৱে সম্ভৱ এক পদ্ধতি। যদিহে কিবা অভাৱনীয় ত্ৰুটি, নিৰৱচ্ছিন্ন চোৰা-চিতাৰ অভাৱ, গোলকীয় সহযোগিতা হঠাতে নাইকিয়া হোৱা, প্ৰয়োজনীয় পুঁজিৰ যোগান বন্ধ হৈ যোৱা আদি কাৰণত এই পদ্ধতি স্তব্ধ হৈ পৰে, তেতিয়া হৈছে আৰু। এক অধ্যয়নৰ মতে যদিহে কেবা দশকৰ বাবে এই পদ্ধতি ব্যৱহাৰ কৰি তাৰ পাছত তাক হঠাতে বন্ধ কৰি দিয়া যায়, তেতিয়া গোলকীয় উষ্ণতাবৃদ্ধি এতিয়াৰ দুগুণ পৰ্যন্ত হ'ব পাৰে। হিচাপ কৰি দেখা গৈছে যে ১৯৭০-১৯৯৯ চনৰ কালছোৱাত বিশ্বৰ গড় উচ্চতা যিমান আছিল, ২০৩৫ চনত সেই উষ্ণতা প্ৰায় এক ডিগ্ৰী বাঢ়িব। তেতিয়া যদি এছ আৰ এম পদ্ধতি প্ৰয়োগ কৰা হয়, তেন্তে পৃথিৱীৰ গড় উষ্ণতা কমি আহিব। পাছে গোলকীয় উত্তাপন ৰোধৰ বাবে সেউজগৃহ গেছৰ পৰিমাণ কমোৱাকে ধৰি আন ব্যৱস্থা নলৈ ২৫ বছৰৰ পাছত যদি সেয়া বন্ধ কৰি দিয়া যায়, তেন্তে পাছৰ দশককেইটাত বিশ্বৰ গড় উষ্ণতা ৪ ডিগ্ৰী ছেলছিয়াছ পৰ্যন্ত বৃদ্ধি হ'ব পাৰে। এই সময়ছোৱাত সেউজগৃহ গেছৰ পৰিমাণ যিমান বাঢ়ি যাব, সেই বৰ্ধিত পৰিমাণে এই অস্বাভাৱিক উষ্ণতা বৃদ্ধি সৃষ্টি কৰিব। গতিকে গোলকীয় উত্তাপন কম কৰাৰ বাবে আমাৰ হাতত থকা একমাত্ৰ উপায় হ'ল যি কোনো উপায়েৰে সেউজগৃহ গেছৰ উৎপাদন নিয়ন্ত্ৰিত কৰা। সেই কাম কৰাৰ ওপৰঞ্চি হিচাপেহে আন কিছু পদ্ধতি ব্যৱহাৰ কৰিব পৰা যাব।

## জীৱন্ত তৰল ক্ৰিষ্টেল

পানীত সাঁতুৰিব পৰা বিশেষ বেক্টেৰিয়াক যদি এক জলনিৰ্ভৰ অবিষাক্ত তৰল ক্ৰিষ্টেলত ৰাখিব পৰা যায়, তেন্তে আগতে নোহোৱা-নোপজা এটা ঘটনা ঘটিব। সেয়া হ'ল জীৱন্ত তৰল ক্ৰিষ্টেল বা লিভিং লিকুইড ক্ৰিষ্টেলৰ সৃষ্টি। কি ঠিক, তাৰ বাবে হয়তো পদাৰ্থবিজ্ঞানৰ এক নতুন শাখাৰে দৰকাৰ হ'ব।

১৫-১৯ ফেব্ৰুৱাৰিত ছানফ্ৰান্সিছকোত অনুষ্ঠিত হোৱা বায়'ফিজিকেল ছচাইটিৰ ৫৮ তম বাৰ্ষিক অধিৱেশনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ এক গৱেষক দলে এই দ্ৰব্যৰ আৰ্হি প্ৰদৰ্শন কৰিছে। এনে জীৱন্ত তৰল ক্ৰিষ্টেলক বাহিৰৰপৰা উত্তেজিত কৰি লৰচৰ কৰিব পৰা যায় আৰু নতুন আকৃতিও দিব পৰা যায়। তদুপৰি তাত অক্সিজেনৰ পৰিমাণ কম-বেছি কৰি তাত থকা বেক্টেৰিয়াৰ সক্ৰিয়তা কমাব-বঢ়াব পৰা যায়। গতিকে ই জৈৱিক ছেন্সৰ হিচাপেও কাম কৰিব পাৰিব। কিছুমান মাইক্ৰ আৰু নেন' পৰ্যায়ৰ ক্ষুদ্ৰ ৰাসায়নিক ক্ৰিয়াত মাধ্যম হিচাপে থাকি জীৱন্ত তৰল ক্ৰিষ্টেলে সেই ক্ৰিয়া বঢ়াই তুলিব পাৰিব। বিশেষকৈ কিছুমান অসুখ তেনেই প্ৰাথমিক অৱস্থাত ধৰা পেলাই ই সেই অসুখ ভাল হোৱাৰ সম্ভাৱনা বঢ়াই তুলিব পাৰিব আৰু লগতে এই কাম কম সময় আৰু কম খৰচত হৈ উঠিব। কেৱল সেয়াই নহয়, জীৱন্ত তৰল ক্ৰিষ্টেলক এনে কিছুমান কামতো ব্যৱহাৰ কৰিব পৰা যাব, যাৰ বিষয়ে এতিয়াই ধাৰণা কৰাও টান।

### অক্সিজেনৰ পৰিমাণ বৃদ্ধিৰ লগত জটিল জীৱৰ বিৱৰ্তনৰ সম্পৰ্ক নাই

বিজ্ঞানীসকলে বিশ্বাস কৰি আহিছিল যে যেতিয়া বিশ্বত অক্সিজেনৰ পৰিমাণ বাঢ়ি আহি এতিয়াৰ সমান

হৈছিল, তেতিয়াহে বিশ্বত জটিল জীৱৰ সৃষ্টি সম্ভৱ হৈছিল। এতিয়া পাছে প্ৰমাণিত হৈছে যে জটিল জীৱ জীয়াই থাকিবৰ বাবে আৰু তাৰ বৃদ্ধিৰ বাবে সিমান পৰিমাণৰ অক্সিজেনৰ দৰকাৰ নাই।

৬৩০-৬৩৫ নিযুত বছৰৰ আগতে পৃথিৱীত যেতিয়া অক্সিজেনৰ পৰিমাণ বাঢ়ি আহিল, তেতিয়াই বিশ্বত থকা সৰল জীৱনৰ জটিল জীৱলৈ বিৱৰ্তনৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল। পাছে এই কথা কোনেও পৰীক্ষা কৰি চোৱা নাছিল যে জটিল জীৱৰ বাবে কিমান পৰিমাণৰ অক্সিজেন লাগে। এইবাৰ এক বিজ্ঞানীৰ দলে সেই কথা পৰীক্ষা কৰি চাব খুজিলে। তেওঁলোকে ডেনমাৰ্কৰ এবিধ সাগৰীয় স্পঞ্জৰ ক্ষেত্ৰত অধ্যয়ন কৰি জানিব পাৰিলে যে অতি কম পৰিমাণৰ অক্সিজেনৰ পৰিৱেশতো সেইবোৰ জীয়াই আছে আৰু সিহঁতে বংশ বৃদ্ধিও কৰিব পাৰিছে। বিজ্ঞানীৰ দলটোৱে ইয়াকো দেখুৱাইছে যে যদি অক্সিজেনৰ পৰিমাণ বৰ্তমানৰ পৰিমাণৰ ০.৫ শতাংশও হয়, তেতিয়াও এনে জটিল জীৱ জীয়াই থাকিব পাৰে। গতিকে দেখা গ'ল যে বিশ্বত যদি আগতে অক্সিজেনৰ পৰিমাণ কমো আছিল, তেন্তে সি জটিল জীৱৰ বিৱৰ্তনত কোনো বাধা দিয়া নাছিল। দুয়োটা ঘটনা, মানে অক্সিজেনৰ পৰিমাণ বঢ়া আৰু সৰল জীৱৰ জটিল জীৱলৈ বিৱৰ্তন হোৱা ঘটনা কাকতালীয়ভাৱে মিলি গৈছিল। বোধহয় জটিল জীৱলৈ বিৱৰ্তনৰ প্ৰক্ৰিয়াটো বেছ জটিল আছিল আৰু সেয়েহে তাৰ বাবে সময় কিছু বেছি লাগিছিল। এনে সময়তে অক্সিজেনৰ পৰিমাণ বিশ্বত বাঢ়ি গৈছিল বাবে সকলোৱে অক্সিজেন বাঢ়ি যোৱা বাবেহে জটিল জীৱৰ বিৱৰ্তন সম্ভৱ হোৱা বুলি ধৰি ল'লে।

## বিশ্বৰ জলবায়ুগত পৰিস্থিতি ভবাতকৈও ভয়াবহ

জলবায়ু পৰিৱৰ্তন সম্পৰ্কীয় আন্তঃচৰকাৰ পেনেলে পাঁচ বছৰ আগতে দাখিল কৰা ইয়াৰ শেহতীয়া প্ৰতিবেদনত আমাৰ বিশ্বৰ ভৱিষ্যৎ সম্পৰ্কে যিখন চিত্ৰ দাঙি ধৰিছিল, সেইখন বিশেষ আশাব্যঞ্জক নাছিল। ২০১৪ চনত তেওঁলোকে ইয়াৰ পৰৱৰ্তী প্ৰতিবেদন দিয়াৰ কথা আৰু এই সম্পৰ্কত তেওঁলোকে তথ্য গোটাই আছে। পাছে জানিব পৰা মতে পৰিস্থিতি আগতে ধাৰণা কৰাতকৈ বেয়াহে হৈছে। তাৰ সাতটা মূল কাৰণ হ'ল :

* মেৰু সাগৰত থকা বৰফৰ ডাঠ তৰপটো আশা কৰাতকৈ সোনকালে গলাৰ সম্ভাৱনাৰ সৃষ্টি হৈছে। আগতে ভবা হৈছিল যে এই শতিকাৰ শেষৰফালেহে সেয়া গলিব। জলবায়ু পৰিৱৰ্তনৰ বৰ্তমানৰ হাৰ যদি চলি থাকিবলৈ হয়, তেন্তে এটা বা দুটা দশকৰ ভিতৰতে সেয়া গলিবলৈ আৰম্ভ কৰিব।
* আমি নিশ্চয় অনুভৱ কৰিছো যে গোলকীয় উত্তাপনে বহু ঠাইতে আগৰ মধ্যমীয়া বতৰৰ অৱস্থা চৰম কৰি তুলিছে। সেয়া আগতে আশংকা কৰাতকৈ বেছি হৈছে।
* ভাল ফলৰ ভিতৰত গোলকীয় উত্তাপনে খাদ্যৰ উৎপাদন বঢ়াব পাৰে বুলি আশা কৰা হৈছিল। পাছে চৰম বতৰৰ ফলত সেয়া হোৱা নাই আৰু খাদ্যৰ মূল্য বাঢ়িহে গৈছে।
* গ্ৰীণলেণ্ডৰ বৰফ বেছি দ্ৰুতভাৱে গলাৰ ফলত ২১০০ চনৰ ভিতৰত সাগৰ-মহাসাগৰৰ উচ্চতা এক মিটাৰ বা তাতকৈও বেছিকৈ বঢ়াৰ সম্ভাৱনাৰ সৃষ্টি হৈছে।
* আমাৰ গ্ৰহটোৱে এতিয়া উৎপাদিত কাৰ্বন ডাই-অক্সাইডৰ প্ৰায় আধা পৰিমাণ শোষণ কৰে। পাছে সেই হাৰৰ শোষণ বৰ বেছি বছৰলৈ নহ'ব বুলি আশংকা কৰা হৈছে।
* আমি যদি কাইলৈকে কাৰ্বন ডাই-অক্সাইডৰ নিৰ্গমণ বন্ধ কৰি দিওঁ, তেন্তে হয়তো জলবায়ুগত বিপৰ্যয় কিছু ৰোধ হ'ব। প্ৰকৃত সত্যটো হ'ল যে আমি সেই গেছৰ নিৰ্গমণ বঢ়াইহে আছো।
* যদি আমি আশংকা কৰা প্ৰতিটো ঘটনা বাস্তৱায়িত হয়, তেন্তে বিশ্বৰ স্থল অংশ ইমান বেছি গৰম হ'ব যে তাত মানুহে বসবাস কৰিবই নোৱাৰিব।

## সৰ্বব্যাপী ইণ্টাৰনেট

ইণ্টাৰনেট এতিয়া সমগ্ৰ বিশ্বতে বেছ জনপ্ৰিয় হৈ পৰিছে। জীৱনত এবাৰো ইণ্টাৰনেট ব্যৱহাৰ নকৰাকৈ থকা মানুহৰ সংখ্যা দ্ৰুতগতিত কমি আহিছে। অৱশ্যে

এতিয়াও ১.৩ বিলিয়ন মানুহে ইণ্টাৰনেটৰ সুবিধা ল'ব পৰা নাই। উন্নয়নশীল দেশৰ ৩১ শতাংশ লোকে ইণ্টাৰনেট ব্যৱহাৰ কৰে। সেইবোৰ দেশৰ বাকীবোৰৰ ইণ্টাৰনেটৰ ব্যৱহাৰ কৰাৰ উপায় বা ধন নাথাকে। উন্নত দেশৰ ক্ষেত্ৰত পাছে ৭৭ শতাংশ লোকে দৈনিক ইণ্টাৰনেট ব্যৱহাৰ কৰে।

তিনিটা উপায়েৰে ইণ্টাৰনেট যোগাযোগ পাব পৰা যায়। সেয়া হ'ল—তাঁৰযুক্ত সংযোগ, ম'বাইল নেটৱৰ্ক আৰু কৃত্ৰিম উপগ্ৰহ। তাঁৰযুক্ত সংযোগৰ ক্ষেত্ৰত তন্তু-আলো তাঁৰ বা ফাইবাৰ-অপ্টিক কেবলবোৰে সাগৰ-মহাসাগৰ, দেশ-মহাদেশ অতিক্ৰম কৰি ইণ্টাৰনেটৰ মূল মেৰুদণ্ডৰ সৃষ্টি কৰিছে। ১৮৫০ৰ দশকতে টেলিগ্ৰাফ সংযোগৰ বাবে প্ৰথম কেবল ব্যৱহাৰ কৰা হৈছিল। এতিয়া নতুন ৰূপৰ কেবলে এণ্টাৰ্কটিকাক বাদ দি আটাইকেইখন মহাদেশ আৰু সকলো নহ'লেও বেছিভাগ মানৰ বসবাসযোগ্য দ্বীপ ছানি ধৰিছে।

ম'বাইল সংযোগ চেলফ'ন টাৱাৰৰ ওপৰত নিৰ্ভৰ কৰে। এতিয়া বিশ্বৰ প্ৰায়ভাগ অঞ্চলতে এনে টাৱাৰ বহুওৱা হৈছে। বহুতো দেশে ইণ্টাৰনেট সংযোগৰ বাবে ম'বাইল নেটৱৰ্ক ব্যৱহাৰ কৰে।

বিশ্বযোৰা যোগাযোগৰ ক্ষেত্ৰত কৃত্ৰিম উপগ্ৰহবোৰেও বেছ সহায় কৰে। বিশেষকৈ যিবোৰ ঠাইত কেবল সংযোগ আৰু ম'বাইল সংযোগ নাই, তেনে ঠাইত যোগাযোগৰ ক্ষেত্ৰত এই কামৰ বাবে নিয়োজিত কৃত্ৰিম উপগ্ৰহবোৰেই একমাত্ৰ উপায়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ নেছনেল পাৰ্কবোৰ, এণ্টাৰ্কটিকা আৰু কুক দ্বীপৰ দৰে বিচ্ছিন্ন দ্বীপ আদিত উপগ্ৰহৰ পৰাই ছেটেলাইট ফ'নৰ সংযোগ পাব পৰা যায়। এনে যোগাযোগ পাছে দ্ৰুত নহয়। কাৰণ এঠাইৰপৰা সিঠাইলৈ কৃত্ৰিম উপগ্ৰহৰ জৰিয়তে সংকেত যাওঁতে ই কমেও ৩৫,০০০ কিল'মিটাৰ ভ্ৰমণ কৰিবলগীয়া হয়। এতিয়া বহুতো ঠাইত কৃত্ৰিম উপগ্ৰহৰ যোগেদি ইণ্টাৰনেট উপলব্ধ হৈছে আৰু বেছি দ্ৰুতভাৱে সংযোগ পাব পৰাকৈ বিশেষ কৃত্ৰিম উপগ্ৰহও নিক্ষেপ কৰা হৈছে।

আণ্ডাৰগ্ৰাউণ্ড টানেলতো এতিয়া ম'বাইল ৰেডিঅ' ব্যৱহাৰ কৰি 'লোকেল হটস্পট' সৃষ্টি কৰিব পৰা যায় আৰু ইণ্টাৰনেট সংযোগ পাব পৰা যায়। পৃথিৱীত ইণ্টাৰনেটে চুব নোৱৰা অঞ্চল এতিয়াও আছে যদিও সেয়া দ্ৰুত গতিত কমি আহিছে। গভীৰ সাগৰৰ বুকুত পানীৰদ্বাৰা হোৱা ব্যাঘাতৰ বাবে ইণ্টাৰনেট সংযোগ পোৱা নাযায় যদিও তাতো এতিয়া তেনে সংযোগ সম্ভৱ হৈ উঠিছে। এতিয়া ইণ্টাৰনেট সংযোগৰপৰা বাহিৰত থকা বা অফলাইন হ'ব পৰাৰ একমাত্ৰ উপায় হ'ল—নিজেই ইচ্ছা কৰি তাৰ পৰা আঁতৰি থকা। দক্ষিণ আমেৰিকা, নিউ গিনি, ভাৰত আদি কিছুমান দেশৰ প্ৰাচীন অধিবাসী কিছুমানে যেনেকৈ এতিয়াও নিজে ইচ্ছা কৰি সভ্য সমাজৰপৰা বাহিৰত আছে, তেনেকৈ থকাৰ বাহিৰে ইণ্টাৰনেটৰ আওতাৰ বাহিৰত থকাৰ এতিয়া কোনো উপায় নাই। ❍

## অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ সাফল্য

অসম জাতীয় বিদ্যালয়ৰ নৱম শ্ৰেণীৰ শিক্ষাৰ্থী কাব্যনীল তালুকদাৰে দবা আৰু ৰুবিক্‌ছ কিউব বা স্পীড কিউবিং (Speed cubing) খেলত বিভিন্ন পৰ্যায়ত পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে। দবা খেলত ইতিমধ্যে তেওঁ বিভিন্ন প্ৰতিযোগিতাত সাফল্য লাভ কৰিছে। স্পীড কিউবিঙত তেওঁৰ শেহতীয়া উল্লেখযোগ্য সাফল্যসমূহ হ'ল—

১) স্পীড কিউবিং মুম্বাই আনলিমিটেডে (Speed Cubing Mumbai Unlimited) আয়োজন কৰা ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত প্ৰথম স্থান লাভ।

২) আই আই টি গুৱাহাটী, আই আই টি খড়গপুৰ আৰু আই আই টি মাদ্ৰাজত অনুষ্ঠিত স্পীড কিউবিং প্ৰতিযোগিতাৰ বিভিন্ন শাখাত প্ৰথম স্থান লাভ।

৩) বৰ্তমান স্পীড কিউবিঙত তেওঁৰ ৰাষ্ট্ৰীয় ৰেংকিং ২ (২০১৪) আৰু আন্তঃৰাষ্ট্ৰীয় ৰেংকিং ৯২ (২০১৪)।

## অসম বুৰঞ্জীৰ কেইটামান উল্লেখযোগ্য চৰিত্ৰ

■ সোণালী গগৈ

**ফ্ৰাচেনমুং বৰগোহাঁই :** আহোম ৰজা চুহুংমুঙৰ ৰাজত্বকালত তেওঁৰ ৰাজ্যৰ পূব প্ৰান্তত আছিল শদিয়া ৰাজ্য। শদিয়া ৰাজ্যত চুতীয়াসকলে শাসন কৰিছিল। সেই চুতীয়া ৰাজ্য দখলৰ বাবে আহোমৰ সেনাপতি আছিল ফ্ৰাচেনমুং বৰগোহাঁই। চুতীয়া ৰজা নীতিপালক পৰাস্ত কৰি ৰাজ্য হস্তগত কৰিলে। আহোম ৰাজ্যৰ সীমা পূবলৈ বৃদ্ধি হ'ল। ফ্ৰাচেনমুং বৰগোহাঁয়ে শদিয়াখোৱা গোহাঁই নামেৰে এক নতুন পদবী লাভ কৰিলে। তেৱেঁই প্ৰথম শদিয়াখোৱা গোহাঁই।

তাৰ পিছত মুছলমান সেনাপতি তুৰ্বকে আহোম ৰাজ্য আক্ৰমণ কৰিলে। এইবাৰো সেনাপতি ফ্ৰাচেনমুং। মুছলমান সেনাপতিৰ সৈতে থৈয়া-নথৈয়া ৰণ লাগিল। অৱশেষত ফ্ৰাচেনমুং ৰণত পৰিল। নিজ মাতৃক শত্ৰুৰ হাতৰপৰা ৰক্ষা কৰিবলৈ গৈ নিজৰ প্ৰাণ বিসৰ্জন দিলে। এৱেঁই আছিল আহোম সেনাপতি সুদক্ষ প্ৰশাসক ফ্ৰাচেনমুং বৰগোহাঁই।

**মূলাগাভৰু :** ফ্ৰাচেনমুং বৰগোহাঁইৰ সুযোগ্যা পত্নী আছিল মূলাগাভৰু। স্বামী ফ্ৰাচেনমুং যিদৰে সাহসী, পত্নী মূলাগাভৰুও তেনেদৰেই সাহসী আছিল। আহোমসকলৰ পৰম্পৰা অনুসৰি যুদ্ধলৈ যাওঁতে প্ৰিয় নাৰীগৰাকীয়ে (মাক, বায়েক, ভনীয়েক, পত্নী) প্ৰিয়জনক কৱচ কাপোৰ পিন্ধাই পঠিয়ায়। তেওঁলোকৰ বিশ্বাস, যেতিয়ালৈকে এই কৱচ কাপোৰ গাত থাকে তেতিয়ালৈকে শত্ৰুৱে তেওঁলোকৰ একো বিঘিনি ঘটাব নোৱাৰে। নাৰীগৰাকীয়ে একে ৰাতিৰ ভিতৰতে সূতা কাটি, কাপোৰ বৈ পুৰা যুদ্ধলৈ যোৱাৰ সময়ত পিন্ধোৱা কাপোৰসাজেই হ'ল কৱচ কাপোৰ। কিন্তু মুছলমানৰ আকস্মিক আক্ৰমণত প্ৰতাপী আহোম সেনাপতি ফ্ৰাচেনমুং ৰণলৈ যোৱাৰ সময়ত পত্নী মূলাগাভৰুৱে কৱচ কাপোৰ যাচিব নোৱাৰিলে স্বামী ফ্ৰাচেনমুঙক। দৈৱ-দুৰ্বিপাকত যুদ্ধত ফ্ৰাচেনমুঙৰ মৃত্যু হ'ল। স্বামীৰ মৃত্যুৰ বতৰা পাই বাউলী হৈ পৰিল মূলাগাভৰু। স্বামীৰ মৃত্যুৰ বাবে নিজকে দোষী বুলি ভাবি স্বামী হত্যাৰ প্ৰতিশোধ ল'বলৈ সকলো বাধা নেওচি কেইগৰাকীমান নাৰীক লৈ গঢ়ি তুলিলে নাৰী বাহিনী। আহোম ৰাজ্যৰ এয়াই প্ৰথম নাৰী বাহিনী। এই নাৰী বাহিনীৰ নেত্ৰী হ'ল মূলাগাভৰু। 'নাংজিন' নামৰ হাতীজনীৰ পিঠিত উঠি মহাপ্ৰতাপেৰে তুৰ্বকৰ সৈন্যৰ লগত যুঁজিলে। মূলাগাভৰুৰ নেতৃত্বত নাৰী বাহিনীক দেখি আহোম সৈন্যই দুগুণ উৎসাহী হৈ যুদ্ধ কৰিলে। কিন্তু বিধিৰ কি বিপাক ! অন্যায় যুদ্ধৰ বলি হ'ল— মূলাগাভৰু। সেইখনেই যুদ্ধ, য'ত স্বামীৰ মৃত্যু, তাৰ পিছত পত্নীৰ। একেই শত্ৰু। পতি-পত্নী প্ৰেমৰ লগতে দেশপ্ৰেমৰ এক জ্বলন্ত সাক্ষী হৈ ৰ'ল এইহাল পতি-পত্নী। (অৱশ্যে একেখন যুদ্ধতে পৰৱৰ্তী আহোম সেনাপতি কনচেং বৰপাত্ৰগোহাঁইৰ হাতত তুৰ্বকৰ পৰাজয় আৰু মৃত্যু হয়।)

**নাংবাক গাভৰু :** দিহিঙীয়া ৰজা চুহুংমুঙৰ জীয়াৰী নাংবাক গাভৰু। বিয়া হৈছিল বৰগোহাঁইৰ লগত। কিছুদিন সুখে-সন্তোষেৰে সংসাৰ চলিল। হঠাতে তেওঁলোকৰ সংসাৰখনলৈ কাল এন্ধাৰ নামিল। খোৰাৰজা বা চুখমফা চুহুংমুঙৰ নাতি। কোচ ৰজা নৰনাৰায়ণ আৰু সেনাপতি চিলাৰায়ে তেওঁৰেই ৰাজত্বকালত আহোম ৰাজ্য আক্ৰমণ কৰিলে। যুদ্ধত কোচৰজা জয়ী হ'ল। আহোম আৰু কোচৰ মাজত যুদ্ধ বিৰতিৰ চুক্তি বা সন্ধি হ'ল। কোচ ৰজাৰ দাবী—তিনিজন গোহাঁইৰ পুত্ৰ আৰু উচ্চ পদবীৰ বিষয়াৰ পুত্ৰ যুদ্ধ বন্দী বা ওল হিচাবে কোচ ৰাজ্যত থাকিব লাগিব। দাবী মানি ল'বলৈ আহোম ৰজা সন্মত হ'ল। কিন্তু কোচৰজাৰ ওচৰত শিৰ নত নকৰিলে বৰগোহাঁইৰ পত্নী নাংবাক গাভৰুৱে। নাংবাক গাভৰুৱে নিজ পুত্ৰক বন্দীত্বৰ জৰী লগাবলৈ নিদিলে। বৰঞ্চ ৰাজসভাত বীৰদৰ্পে ঘোষণা কৰিলে—'মোৰ পো চাওপেত। মই মোৰ পোক ভাটিৰ ৰাজ্যলৈ পঠাবলৈ নিদিওঁ। কোচতে যে ৰণ হাৰিলি, মই যুদ্ধ কৰি চাওঁ। তহঁতৰ টুপী, চোলা, কুনমিন, কুন্‌খা (এইবোৰ যুদ্ধত পিন্ধা সাজ) মোক দে, মই পিন্ধি যুদ্ধ কৰো। তিৰোতা নে পুৰুষ বুজিবি আৰু মোৰ সাজ তহঁতে পিন্ধিবি।' পত্নীৰ এই আচৰণত বৰগোহাঁয়ে বুজাইছিল, 'দেশৰ বাবেহে

মোৰ পোক ওল দিছো—যক দে।’ কিন্তু নাংব্লক গাভৰু আঁকোৰগোজ হৈ থাকি ক’লে, ‘দিখৌ নৈক ওলোটাই বোৱাব পাৰিলেহে মোৰ ল’ৰাক ওল পঠিয়াব পাৰিব। মোৰ ল’ৰাক কোনে কেনেকৈ নিয়ে চাওঁ।’ নাংব্লক গাভৰুৰ এই ঘোষণাৰ বাবে এজন ভাৰী আহোম মন্ত্ৰী বন্দীত্বৰ ডোলৰ পৰা হাত সাৰিল। এইগৰাকী মহান নাৰীয়ে এনে কাৰ্যৰদ্বাৰা কেৱল পুত্ৰ স্নেহেই দেখুওৱা নাই। ইয়াৰ মাজেদি স্বাধীনতাপিয়াসী এগৰাকী নাৰীৰ সবল চৰিত্ৰহে প্ৰকাশ পাইছে। পুৰুষসকলে কেৱল মন্ত্ৰী বা উচ্চ পদবী ল’লেই নহ’ব—সেই পদবীৰ সন্মান মৰ্যাদাসহকাৰে ৰাখিব পাৰিব লাগিব। তেওঁৰ কথাৰ মাজেদি তাৰেই প্ৰকাশ ঘটিছে। তেওঁৰ কাৰ্যত এগৰাকী নাৰীৰ মমতাময়ী চৰিত্ৰ প্ৰকাশ হোৱাৰ লগতে তেওঁৰ সাহস, মনৰ দৃঢ়তা আৰু দেশপ্ৰেম প্ৰকাশ পাইছে। কিয়নো কোচ ৰজাই বিচৰাৰ দৰে গোটেই কেইজন মন্ত্ৰী পুত্ৰক ওল হিচাপে দিলে পৰৱৰ্তী পৰ্যায়ত বিভিন্ন বিষয়বাবৰ বাবে উপযুক্ত ব্যক্তি নাপালেহেঁতেন। কিয়নো আহোম ৰাজ্যত কিছুমান পদবী বংশানুক্ৰমিকভাৱে চলিছিল। কোচসকলে জয়লাভ কৰিলেও আহোম ৰমণীৰ মনৰ ওচৰত লঘু হৈ পৰিছিল। ❍

## শীতকালীন অলিম্পিক

শীত প্ৰধান অঞ্চলত বৰফত খেলা খেলসমূহ সামৰি শীতকালীন অলিম্পিক আয়োজন কৰা হয়। আজিকালি অৱশ্যে কৃত্ৰিম বৰফৰ সৃষ্টি কৰিও এনে ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

নৰ্ডিক ক্ৰীড়াৰ অন্যতম পৃষ্ঠপোষক ভিক্তৰ গুস্তাফ ব্লেকক শীতকালীন অলিম্পিকৰ জনক বুলিব পাৰি। ১৯০৩ চনৰপৰা ১৯১০ চনলৈ মুঠ তিনিবাৰ আৰু তাৰ পিছত ১৯২৬ চনলৈ প্ৰতি চাৰি বছৰৰ মূৰে মূৰে এনে খেল তেওঁ আয়োজন কৰি আহিছিল।

১৯১২ চনৰ চুইডেনৰ অলিম্পিকত শীতকালীন ক্ৰীড়াৰ অন্তৰ্ভুক্তিৰ প্ৰস্তাৱ আহিছিল যদিও আয়োজক সমিতিৰদ্বাৰা ই গৃহীত নহ’ল। পিছত ১৯১৬ চনত বাৰ্লিনত হোৱা অলিম্পিকত কেইবিধমান শীতকালীন খেল অন্তৰ্ভুক্ত কৰা হয়। ১৯২০ চনত বেলজিয়াম অলিম্পিকত ফিগাৰ স্কেটিং আৰু আইছ হকী প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। ১৯২৪ চনত ফ্ৰান্স অলিম্পিকত আয়োজকসকলে বেলেগকৈ শীতকালীন ক্ৰীড়া সপ্তাহৰ আয়োজন কৰে। ইয়াত ১৬ খন দেশৰ প্ৰায় আঢ়ৈশ প্ৰতিযোগীয়ে ভাগ লয়। ইয়াৰ পিছত বেলেগ সময়ত চাৰি বছৰৰ মূৰে মূৰে পৃথককৈ শীতকালীন ক্ৰীড়া বা শীতকালীন অলিম্পিক পতাৰ সিদ্ধান্ত লোৱা হয়। আন্তঃৰাষ্ট্ৰীয় অলিম্পিক সমিতিৰ এই ধাৰা ২য় বিশ্বযুদ্ধৰ বাবে ব্যাহত হয় যদিও ১৯৪৮ চনৰপৰা পুনৰ আৰম্ভ হয়। ব্যতিক্ৰম আছিল ১৯৯৪ চনৰ শীতকালীন অলিম্পিক কাৰণ ১৯৯২ চনৰ পিছত ইয়াক মাত্ৰ ২ বছৰৰ মূৰত অনুষ্ঠিত কৰা হৈছিল।

শীতকালীন অলিম্পিকত অন্তৰ্ভুক্ত খেলবোৰৰ ভিতৰত লুজ, শ্বৰ্ট ট্ৰেক স্পীড স্কেটিং, ফ্ৰিষ্টাইল স্কিইং, স্পীড স্কিইং, বেণ্ডী, স্কিজোৰিং ইত্যাদি অন্যতম। এইবাৰ ২০১৪ চনৰ শীতকালীন অলিম্পিক ৰাছিয়াৰ চ’চি নামৰ চহৰখনত যোৱা ৮ ফেব্ৰুৱাৰিৰপৰা অনুষ্ঠিত হৈছে। ❍

## তোমালোকে জানানে?

- উত্তৰ গোলাৰ্ধত এতিয়ালৈকে দেখা পোৱা আটাইতকৈ ডাঙৰ আইচবাৰ্গটো বেফিন দ্বীপৰ (Baffin Island) সমীপত ১৮৮২ চনত দেখা গৈছিল। এই আইচবাৰ্গটো দীঘলে আছিল ১৯ কিল’মিটাৰ আৰু বহলে প্ৰায় ৬ কিল’মিটাৰ। সাগৰপৃষ্ঠৰপৰা ই ৬৫ ফুট ওখ আছিল। ইয়াৰ ওজন আছিল প্ৰায় ৯ বিলিয়ন টন।
(১ বিলিয়ন = ১০০ কোটি)

## মানসিক সামৰ্থ্য বিকাশ

■ ৰবীন্দ্ৰ বৰ্মন

1. তলত লুডুগুটি (বা যিকোনো ঘনক) এটাৰ চাৰিটা অৱস্থান দেখুওৱা হৈছে। অৱস্থানকেইটা চাই 6ৰ বিপৰীতে কি সংখ্যা থাকিব উলিওৱাঁ।




উত্তৰ : ঘনকৰ পিঠি ছয়খন আৰু চুক আঠটা। প্ৰতিটো চুকৰপৰা চালে তিনিখনকৈ পিঠি দেখা পোৱা যায়। অৱস্থানকেইটা লক্ষ্য কৰি ছয়খন পিঠিত চিহ্নিত সংখ্যাবোৰ পোৱা গ'ল—1, 2, 3, 4, 5, 6। এতিয়া কোনোবা দুটা অৱস্থানত একে দুটা সংখ্যা দেখা গৈছে নেকি চাব লাগে। দেখা গৈছে, প্ৰথমটো আৰু তৃতীয়টো অৱস্থানত 2 আৰু 4 সংখ্যা দুটা একে।

এতিয়া প্ৰথম অৱস্থানত 2 আৰু 4ৰ সৈতে আছে 6

তৃতীয় অৱস্থানত 2 আৰু 4ৰ সৈতে আছে 1

∴ 6ৰ বিপৰীত পিঠিত 1 আছে।

2. তলত এটা ঘনকৰ চাৰিটা অৱস্থান দেখুওৱা হৈছে। অৱস্থানসমূহ চাই C আখৰটোৰ বিপৰীত পিঠিত চিহ্নিত আখৰটো উলিওৱাঁ।




উত্তৰ : প্ৰথমটো অৱস্থানত A আৰু Bৰ সৈতে আছে C।


চতুৰ্থটো অৱস্থানত A আৰু Bৰ সৈতে আছে F।

∴ Cৰ বিপৰীত পিঠিত F আছে।

3. এজন মানুহে এটা ঘৰৰ দৰ্জা খুলি উত্তৰফালে গ'লে সোঁফালে এটা কোঠালী পায়। কোঠালীটোত সোমায়েই বাঁওফালে এখন খিৰিকী পোৱা যায়। যদি মানুহজনে খিৰিকীৰ ফালে মুখ কৰি থিয় হৈ থাকে, তেওঁৰ মুখখন কোনমুৰা হ'ব?





(a) উত্তৰফালে (b) পশ্চিমফালে (c) দক্ষিণফালে (d) পূবফালে

উত্তৰ :




উত্তৰৰ সোঁফাল পূব। মানুহজনে উত্তৰফালে গৈ সোঁফালে অৰ্থাৎ পূবফালে এটা কোঠালী পায়। পূবৰ বাঁওফাল উত্তৰ। গতিকে মানুহজনে পূবমুৱা হৈ কোঠালীটোত সোমাই বাঁওফালে অৰ্থাৎ উত্তৰফালে খিৰিকীখন পায়। এতিয়া খিৰিকীৰ ফালে মুখ কৰি থিয় হ'লে মানুহজনৰ মুখখন উত্তৰমুৱা হৈ থাকিব।


4. মানুহ এজনে দক্ষিণলৈ কিছুদূৰ গৈ বাঁওফালে ঘূৰিলে। অলপ দূৰ গৈ আকৌ বাঁওফালে ঘূৰি অলপমান গ'ল। এইবাৰ সোঁফালে ঘূৰি কিছুদূৰ গৈ আকৌ সোঁফালে ঘূৰিলে। মানুহজনৰ গতিপথ তলৰ কোনটো হ'ব?


(a)  (b)  (c)  (d) 


**উত্তৰ :** শুদ্ধ উত্তৰটো হ'ব (b)।


**প্ৰশ্ন :**

1. তলত এটা ঘনকৰ চাৰিটা অৱস্থান দেখুওৱা হৈছে। অৱস্থানকেইটা চাই 3 বিপৰীতে কি সংখ্যা আছে উলিওৱাঁ।














(a) 1 (b) 2 (c) 4 (d) 5

3. তলত ঘনক এটাৰ চাৰিটা অৱস্থান দেখুওৱা হৈছে। অৱস্থানসমূহ নিৰীক্ষণ কৰি 5ৰ বিপৰীত পিঠিত কি সংখ্যা আছে উলিওৱাঁ।










(a) 2 (b) 3 (c) 4 (d) 6 (e) 7

3. এজন মানুহে এখন ঠাইৰপৰা 15 মিটাৰ পূবে গৈ সোঁফালে ঘূৰি 10 মিটাৰ গ'ল। আকৌ সোঁফালে ঘূৰি 15 মিটাৰ গৈ বাঁওফালে ঘূৰি 5 মিটাৰ গ'ল। তেওঁ আৰম্ভণি স্থানৰপৰা এতিয়া কিমান দূৰত আৰু কোন দিশত আছে?

(a) 25 মিটাৰ উত্তৰ (b) 15 মিটাৰ দক্ষিণ (c) 15 মিটাৰ উত্তৰ (d) 25 মিটাৰ দক্ষিণ

4. A আৰু Bয়ে এটা নিৰ্দিষ্ট স্থানৰপৰা যাত্ৰা আৰম্ভ কৰিলে। Aই উত্তৰফালে 3 কিমি. গৈ সোঁফালে ঘূৰি 4 কিমি. গ'ল। আনহাতে Bয়ে 5 কিমি. পশ্চিমে গৈ সোঁফালে ঘূৰি 3 কিমি. গ'ল। A আৰু Bৰ মাজত বৰ্তমান দূৰত্ব কিমান?

(a) 10 কিমি. (b) 9 কিমি. (c) 8 কিমি. (d) 6 কিমি.

উত্তৰসমূহ : 1) c 2) c 3) b 4) b

# ৰচ আইলেণ্ড

■ সংগীতা দাস



ৰচ আইলেণ্ড। আন্দামান নিকোবৰ দ্বীপপুঞ্জৰ এটা সৰু দ্বীপ। ৰাজধানী প'ৰ্টব্লেয়াৰৰপৰা ইয়াৰ দূৰত্ব দুই কিল'মিটাৰ। ব্ৰিটিছৰ দিনৰ প্ৰাণচাঞ্চল্যৰে ভৰা এটা সৰু দ্বীপ। তেতিয়া এই কণমানি দ্বীপটোৱে আছিল ব্ৰিটিছৰ প্ৰশাসনীয় সদৰ দপ্তৰ। ব্ৰিটিছ বিষয়াসকলে চেলুলাৰ জেলৰ কয়দীসকলৰ হতুৱাই এই দ্বীপৰ কিছু গছ-বিৰিখ কটাই এখন আধুনিক চহৰৰ চিত্ৰ আঁকিবলৈ সিদ্ধান্ত ল'লে। ভবা মতেই কাম। ধীৰ গতিত গঢ় ল'বলৈ ধৰিলে বিভিন্ন বাংলো, চিকিৎসালয়, কাৰ্যালয়, বন্দৰ ইত্যাদি। ইয়াত থাকিবলৈ লোৱা মাত্ৰ কেইজনমান ব্ৰিটিছ বিষয়াৰ আমোদ-প্ৰমোদৰ বাবে ইয়াত গঢ়ি তোলা হয় তিনিটা ক্লাবঘৰ, চুইমিং পুল, কেইখনমান টেনিচ ক'ৰ্ট ইত্যাদি। তদুপৰি বেকাৰী, পানী ফিল্টাৰ ব্যৱস্থা, গীৰ্জা, ডাকঘৰ ইত্যাদিৰো নিৰ্মাণ কাৰ্য সম্পন্ন কৰা হয়। ভাবিলে আচৰিত লাগে যে আজিৰপৰা প্ৰায় ডেৰশ বছৰ আগেয়ে এনে এক মায়াবী পৰিৱেশ বিৰাজ কৰিছিল ইয়াত।

কিন্তু সময় যে কিমান নিৰ্মম! ১৯৪১ চনৰ ভুইকঁপত এই দ্বীপৰ স্থাপত্যৰ বহুখিনি ক্ষতি হয়। সেয়েহে ব্ৰিটিছে তেওঁলোকৰ সদৰ দপ্তৰ প'ৰ্টব্লেয়াৰলৈ স্থানান্তৰিত কৰে আৰু তেতিয়াই জাপানীসকলে ১৯৪২ চনত অনায়াসে এই দ্বীপ তেওঁলোকৰ অধীনলৈ আনে। তাৰ পিছতেই জাপানীসকলে ৰচ আইলেণ্ডৰ স্থাপত্য অতি নিৰ্মমভাৱে ধ্বংস কৰিবলৈ লয়। দ্বীপটোৰ কেইবাটাও কোণত জাপানীসকলে মজবুত কংক্ৰিটৰ বাংকাৰ নিৰ্মাণ কৰে। এই বাংকাৰসমূহ আজিও দেখা যায়। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত জাপানীসকলে ব্ৰিটিছৰ ওচৰত আত্মসমৰ্পণ কৰে আৰু সেয়েহে ১৯৪৫ চনত ৰচ আইলেণ্ড পুনৰ ব্ৰিটিছৰ হাতলৈ আহে। কিন্তু শত্ৰুপক্ষৰপৰা ঘূৰাই পালেও ৰচ আইলেণ্ড ইতিমধ্যে ভুইকঁপ আৰু জাপানীসকলৰ অত্যাচাৰত জৰ্জৰিত হৈ পৰে। সেয়েহে ব্ৰিটিছে ইয়াৰ পুনৰুত্থানৰ চেষ্টা নকৰিলে। তেতিয়াৰপৰাই ৰচ আইলেণ্ড সেইদৰেই পৰিত্যক্ত হৈ আছে।

ৰচ আইলেণ্ডত ঐতিহাসিক উত্থান-পতন যিমানেই নহওক লাগিলে, ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য অতি মনোমোহা। শাৰী শাৰী নাৰিকল গছ আৰু দূৰ-দূৰণিলৈ নীল সমুদ্ৰ। ইয়াৰপৰা দূৰলৈ চাই পঠিয়ালে দেখা যায় কেইটামান সেউজীয়া গছে আবৰা সৰু সৰু দ্বীপ। সমুদ্ৰৰো যে ইমান ৰং হ'ব পাৰে, নেদেখিলে বিশ্বাসেই নহয়। ক'ৰবাত যদি হালধীয়া, ক'ৰবাত আকৌ সেউজীয়া, ক'ৰবাত নীলা। লিখি বৰ্ণনা কৰাৰ ধৃষ্টতা আচলতে নকৰাই ভাল। কেইজোপামান নাৰিকল গছে আধা হাউলি যেন সমুদ্ৰৰ লগত মিতিৰালিহে পাতিছে। অনবৰতে বলি থকা সামুদ্ৰিক বতাহে কঁপাই থকা নাৰিকল গছৰ পাতৰ শব্দ আৰু সাগৰৰ ঢৌৰ শব্দ— এখন যেন বেলেগ পৃথিৱী সৃষ্টি কৰিলে সৃষ্টিকৰ্তাই! তদুপৰি এই দ্বীপটোত অতি নিৰ্ভয়ে ঘূৰি ফুৰে এজাক হৰিণে। এই হৰিণবোৰে পৰ্যটকসকলৰ সৈতে বন্ধুত্ব পাতি আনন্দ মনেৰে বিচৰণ কৰি ফুৰে।

এই দ্বীপটোৰ ব্ৰিটিছৰ দিনৰ স্থাপত্যৰ জৰাজীৰ্ণ ৰূপ আজিও বিদ্যমান। দ্বীপটোৰ উত্তৰে এটা প্ৰকাণ্ড ওখ ঘৰৰ ভগ্নাৱশেষ দেখা যায়। তাৰ কাষতেই আছে বিষয়াসকলৰ ক্লাবঘৰৰ ভগ্নাৱশেষ। চুইমিং পুলৰ খালী চৌবাচ্চাটোৱেও যেন সুঁৱৰিছে এসময়ৰ প্ৰবল প্ৰতাপী ব্ৰিটিছসকলক। উত্তৰে টিলা এটাৰ ওপৰত আজিও দেখা যায় সেই সময়ৰ গীৰ্জাটো।

ইয়াত অৱশ্যে পৰ্যটকৰ ৰাতি থকাৰ ব্যৱস্থা নাই। ১৯৭৯ চনৰপৰা এই দ্বীপৰ দায়িত্ব নৌ-সেনা বাহিনীৰ হাতত অৰ্পণ কৰা হয়। ❍

## টাৱাং মনেষ্ট্ৰী



অৰুণাচল প্ৰদেশৰ টাৱাঙত থকা টাৱাং মনেষ্ট্ৰী হৈছে এছিয়াৰ দ্বিতীয় বৃহত্তম মনেষ্ট্ৰী। প্ৰায় দহ হাজাৰ ফুট উচ্চতাত এটি পাহাৰৰ টিলাত ১৭ শতিকাত এই মনেষ্ট্ৰিটো নিৰ্মাণ কৰা হৈছিল। ভাৰতবৰ্ষৰ ভিতৰত আটাইতকৈ ডাঙৰ এই মনেষ্ট্ৰীটোৱে ভাৰতবৰ্ষৰ মুঠতে সোতৰটা বৌদ্ধবিহাৰ পৰিচালনা কৰে। এই বৌদ্ধবিহাৰটোৱে বৌদ্ধযুগীয় তিব্বতীয় সভ্যতাৰ স্বাক্ষৰ বহন কৰি আছে। কাঠেৰে নিৰ্মিত ইয়াৰ মূল প্ৰৱেশদ্বাৰ তিব্বতীয় কাৰুকাৰ্য খচিত।

টাৱাং বৌদ্ধ বিহাৰৰ মূল মন্দিৰত এটা ডাঙৰ বুদ্ধদেৱৰ মূৰ্তি স্থাপন কৰা হৈছে। মূল মণ্ডপৰ ভিতৰভাগত বিভিন্ন চিত্ৰ, লিপি, পৰম্পৰাগত বাদ্য-যন্ত্ৰ, ৰূপৰ পানী ভৰ্তি বাচন, দালাই লামাৰ এখন ছবি, বিভিন্ন আকৃতিৰ ঘণ্টা আদি আকৰ্ষণীয়ভাৱে ৰখা হৈছে।

টাৱাং মনেষ্ট্ৰীৰ যিটো পুৰণি মন্দিৰ, সেইটো তিনিমহলীয়া। এসময়ত এইটোৱে মূল মণ্ডপ আছিল। ইয়াৰ এটা মহলাত বুদ্ধৰ সৰু-ডাঙৰ বহু মূৰ্তি আৰু হাতে লিখা পুথি দেখা পোৱা যায়। এটা মহলাত দুটা প্ৰকাণ্ড দাঁত দেখা যায়। এই দাঁত দুটা মেমোথৰ নে হাতীৰ সেই কথাটো এতিয়াও স্পষ্ট নহয়।

টাৱাং বৌদ্ধবিহাৰত থকা যাদুঘৰটো পৰ্যটকৰ অন্যতম আকৰ্ষণৰ কেন্দ্ৰ। ইয়াত পুৰণি বুদ্ধৰ মূৰ্তি, সোণ আৰু ৰূপৰ বিভিন্ন আকৃতিৰ বাচন দেখা যায়। ইতিহাসৰ ছাত্ৰ-ছাত্ৰীৰ বাবে টাৱাঙৰ এই যাদুঘৰটো বৰ গুৰুত্বপূৰ্ণ যিয়ে হয়তো ইতিহাসৰ বহুতো গুপুত কথা ক'ব। ইয়াৰ চৌহদৰ ভিতৰত এটা ডাঙৰ পুথিভঁৰালো আছে। চৌহদৰ ভিতৰতে এখন বিদ্যালয় আৰু এটা প্ৰশিক্ষণ কেন্দ্ৰ আছে। তদুপৰি লামাসকল থকাৰ বাবে সৰু সৰু ঘৰ কিছুমানো ইয়াত নিৰ্মাণ কৰা হৈছে। আধুনিকতাৰ পৰশ নপৰা এই ঘৰবোৰে অতীজত এই অঞ্চলৰ লোকসকলৰ গৃহনিৰ্মাণ শৈলীৰ আভাস দিয়ে। মন্দিৰৰ চৌহদত তিব্বতীয় ভাষাত লিখা কিছুসংখ্যক শিলালিপিও দেখা যায়।

প্ৰতি বছৰ ডিছেম্বৰ-জানুৱাৰি মাহত এই মনেষ্ট্ৰীত তোৰ্গ্যা নামৰ এটা উৎসৱ উদ্‌যাপন কৰা হয়। এই উৎসৱৰ সময়ত মন্‌পা জনগোষ্ঠীৰ লোকসকলে তেওঁলোকৰ পৰম্পৰাগত সাজ-পোছাক পিন্ধি আহি ইয়াত অংশগ্ৰহণ কৰে।

টাৱাং মনেষ্ট্ৰীৰ চৌহদৰপৰা টাৱাং চহৰখন এখন ছবিৰ দৰে লাগে। এক শান্ত পৰিৱেশৰ এই মনেষ্ট্ৰীটোৱে অতীজৰেপৰা পৰ্যটকক আকৰ্ষণ কৰি আহিছে। আমাৰ নৱ প্ৰজন্মৰ কোনো উৎসাহী ছাত্ৰ-ছাত্ৰীৰ বাবে হয়তো গৱেষণাৰ বহুতো সমল লৈ ৰৈ আছে এই টাৱাং মনেষ্ট্ৰী।

## কুম্ভ মেলা

ভাৰতীয় ধৰ্মবিশ্বাসৰ ভেটিত অনুষ্ঠিত হোৱা কুম্ভ মেলাত পৃথিৱীৰ ভিতৰতেই আটাইতকৈ বেছি জনসমাগম হয়। হিন্দু ধৰ্মৰ লোক-বিশ্বাস অনুসৰি দেৱতা আৰু অসুৰৰ মাজত হোৱা যুদ্ধত কেইটোপালমান অমৃত পৃথিৱীত আহি পৰিছিল। এই ঠাইকেইখন হ'ল প্ৰয়াগ বা এলাহাবাদ, হৰিদ্বাৰ, উজ্জয়িনী আৰু নাচিক। এই ঠাই চাৰিখনত ক্ৰম অনুসৰি কুম্ভ মেলা অনুষ্ঠিত হয়। প্ৰতিখন ঠাইত ১২ বছৰৰ মূৰে মূৰে কুম্ভ মেলা অনুষ্ঠিত হয়। কুম্ভ মেলাৰ সময়ত ভক্তসকল নাচিকত গোদাবৰী নদীৰ তীৰত, উজ্জয়িনীত শিপ্ৰা নদীৰ তীৰত, হৰিদ্বাৰত গংগা নদীৰ তীৰত আৰু এলাহাবাদত গংগা, যমুনা আৰু সৰস্বতী নদীৰ সংগমস্থলত গোট খায়। জনবিশ্বাস মতে মেলাৰ সময়ত এই নদীত গা ধুলে সকলো দোষ-পাপৰপৰা মুক্ত হয়। উল্লেখ্য যে ২০১৩ চনৰ এলাহাবাদ কুম্ভ মেলাত প্ৰায় এক কোটি বিছ লাখ (১২০০০০০০) লোকৰ সমাগম ঘটিছিল। ❍

# চুড'কু

তলৰ আকৃতি দুটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰপৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

## চুড'কু ৩

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | 7 | 2 | | 9 | 5 | 6 | 1 | 8 |
| 3 | 9 | 8 | | 7 | 1 | 4 | | 2 |
| | | 6 | | 2 | | 9 | 7 | 3 |
| 9 | 2 | | 5 | | | 8 | | 1 |
| 8 | 1 | | 2 | | 9 | 5 | | 7 |
| 6 | | | 1 | 8 | | 3 | 2 | 9 |
| 5 | 8 | 4 | | 1 | 2 | | | 6 |
| | 6 | | 8 | | 4 | 2 | | 5 |
| 2 | 3 | | 7 | 5 | | 1 | 8 | 4 |

## চুড'কু ৪

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 9 | | 1 | | 3 | | 2 | | 5 |
| | 6 | | | 2 | | 9 | 4 | 3 |
| | 4 | | 5 | | 6 | | 7 | |
| 1 | 8 | | 9 | 7 | 5 | | | 2 |
| | 9 | | 3 | | 2 | 4 | | 8 |
| 3 | 2 | | | | 1 | 5 | | 7 |
| | 3 | | 6 | 5 | | 1 | 2 | |
| | 1 | | | 4 | 8 | | 5 | |
| 4 | 5 | | 2 | | 3 | 7 | | 6 |

## চুড'কু ১ আৰু ২ৰ সমাধান

| | | | | | |
|---|---|---|---|---|---|
| 2 | 5 | 1 | 6 | 3 | 4 |
| 3 | 4 | 6 | 2 | 5 | 1 |
| 1 | 2 | 5 | 4 | 6 | 3 |
| 4 | 6 | 3 | 5 | 1 | 2 |
| 5 | 1 | 4 | 3 | 2 | 6 |
| 6 | 3 | 2 | 1 | 4 | 5 |

চুড'কু ১

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 3 | 1 | 2 | 8 | 9 | 5 | 4 | 7 | 6 |
| 5 | 6 | 9 | 1 | 4 | 7 | 3 | 8 | 2 |
| 4 | 8 | 7 | 2 | 6 | 3 | 5 | 1 | 9 |
| 9 | 5 | 1 | 7 | 3 | 6 | 2 | 4 | 8 |
| 7 | 2 | 8 | 5 | 1 | 4 | 6 | 9 | 3 |
| 6 | 3 | 4 | 9 | 8 | 2 | 1 | 5 | 7 |
| 2 | 4 | 5 | 6 | 7 | 9 | 8 | 3 | 1 |
| 1 | 7 | 6 | 3 | 5 | 8 | 9 | 2 | 4 |
| 8 | 9 | 3 | 4 | 2 | 1 | 7 | 6 | 5 |

চুড'কু ২

**শুদ্ধ উত্তৰ দিওঁতা : সৌৰভ কলিতা, নৱম শ্ৰেণী, অসম জাতীয় বিদ্যালয়**

# গণিতজ্ঞৰ আন্তঃৰাষ্ট্ৰীয় মহাসভা, ২০১৪

■ হিৰণ্য কলিতা


গণিতজ্ঞৰ আন্তঃৰাষ্ট্ৰীয় মহাসভা (International Congress of Mathematician) হ'ল পৃথিৱীৰ বিভিন্ন দেশৰ গণিতজ্ঞ সমাজৰ সৰ্ববৃহৎ সভা। আন্তঃৰাষ্ট্ৰীয় গণিত সংস্থা (International Mathematical Union–IMU)ৰ তত্বাৱধানত প্ৰতি চাৰি বছৰৰ মূৰে মূৰে এক নিৰ্বাচিত দেশত বৰ্ণাঢ্য কাৰ্যসূচীৰে এই মহাসভা আয়োজিত হয়। ২০১৪ চনৰ আগষ্ট মাহৰ ১৩ তাৰিখৰপৰা ২১ তাৰিখলৈ কোৰিয়াৰ ছিউলত সপ্তবিংশতিতম গণিতজ্ঞৰ আন্তঃৰাষ্ট্ৰীয় মহাসভা অনুষ্ঠিত হ'ব। ছিউল মহাসভাৰ মূল বিষয়বস্তু হ'ল—'ড্ৰিমছ এণ্ড হ'পছ ফৰ লেট ষ্টাৰ্টাৰচ' (Dreams and Hopes for Late Starters)।

গণিতজ্ঞৰ আন্তঃৰাষ্ট্ৰীয় মহাসভাৰ প্ৰথমদিনাৰ উদ্বোধনী অনুষ্ঠানতে গণিতৰ বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা উল্লেখযোগ্য অবদানৰ বাবে 'ফিল্ডছ মেডেল' (Fields Medal) 'নেভানলিনা পুৰস্কাৰ' (Nevanlinna Prize), 'গাউছ পুৰস্কাৰ' (Gauss Prize) আৰু 'চাৰ্ন মেডেল' (Chern Medal) প্ৰদান কৰা হয়।

**ফিল্ডছ মেডেল :** যোৱা সংখ্যাত এই পুৰস্কাৰৰ বিষয়ে উল্লেখ কৰা হৈছে।







**নেভানলিনা পুৰস্কাৰ :** ফিনলেণ্ডৰ গণিতজ্ঞ ৰ'ল্ফ নেভানলিনা (Rolf Nevanlinna, ১৮৯৫-১৯৮০)ক সন্মান জনোৱাৰ উদ্দেশ্যে ১৯৮১ চনত আন্তঃৰাষ্ট্ৰীয় গণিত সংস্থাৰ কাৰ্যকৰী সমিতিয়ে এই পুৰস্কাৰ প্ৰৱৰ্তন কৰে। উদীয়মান গণিতজ্ঞসকলৰ গণিতৰ ক্ষেত্ৰলৈ আগবঢ়োৱা অবদানক উদগণি যোগোৱাৰ বাবে এই পুৰস্কাৰ প্ৰৱৰ্তন কৰা হৈছিল।




**কাৰ্ল ফ্ৰেডেৰিক গাউছ পুৰস্কাৰ :** এই পুৰস্কাৰ হ'ল প্ৰয়োগিক গণিতৰ ক্ষেত্ৰলৈ আগবঢ়োৱা অবদানৰ স্বীকৃতি, যিটো আন্তঃৰাষ্ট্ৰীয় গণিত সংস্থা আৰু জাৰ্মান গণিত সংস্থাৰ যুটীয়া প্ৰচেষ্টাত প্ৰদান কৰা হয়। জাৰ্মান গণিতজ্ঞ কাৰ্ল ফ্ৰেডেৰিক গাউছৰ (Karl Friedrick Gauss, ১৭৭৭-১৮৫৫) নামেৰে ২০০৬ চনৰ পৰা প্ৰতি চাৰি বছৰৰ মূৰে মূৰে এই পুৰস্কাৰ প্ৰদান কৰা হয়।

বিশেষকৈ গণিতৰ বাহিৰৰ পৃথিৱীখনলৈ গণিতীয় আৱিষ্কাৰে আগবঢ়োৱা অৰ্থপূৰ্ণ অবদানৰ স্বীকৃতি হিচাপে এই পুৰস্কাৰ প্ৰদান কৰা হয়।




**চাৰ্ন মেডেল :** চীনা গণিতজ্ঞ চিং-চেন-চাৰ্ন (Shing-Shen-Chern, ১৯১১-২০০৪)ক সন্মান জনোৱাৰ উদ্দেশ্যে আন্তঃৰাষ্ট্ৰীয় গণিত সংস্থা আৰু চাৰ্ন মেডেল প্ৰতিষ্ঠানৰ (Chern Medal Foundation, CMF) যুটীয়া উদ্যোগত এই বঁটা প্ৰদান কৰা হয়। ❍

## তোমালোকে জানানে ?

- পৃথিৱীৰ ১১ শতাংশ মানুহ বাঁওহতীয়া।
- ৮শতাংশ মানুহৰ এডাল অতিৰিক্ত কামিহাড় থাকে।

# অস্কাৰ পুৰস্কাৰ

■ কমলজ্যোতি ডেকা

বোলছবি জগতৰ সৰ্বোচ্চ পুৰস্কাৰ হ'ল অস্কাৰ পুৰস্কাৰ। আগেয়ে ইয়াক 'একাডেমি এৱাৰ্ড' বুলিহে জনা গৈছিল। এই পুৰস্কাৰৰ আওতালৈ প্ৰায় সমগ্ৰ বিশ্বৰ ছবিসমূহ আহে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ 'অকাডেমি অব মোচন পিকচাৰ আৰ্টছ্ এণ্ড ছাইন্স' (Academy of Motion Picture Arts and Science) নামৰ সংস্থাটোৱে এই বঁটা প্ৰদান অনুষ্ঠান পৰিচালনা কৰে।

অস্কাৰ বঁটাৰ প্ৰচলন আৰম্ভ হয় ১৯২৯ চনৰপৰা। ১৯২৯ চনৰ ১৬ মে' তাৰিখে প্ৰথম সংখ্যক অস্কাৰ বঁটা প্ৰদান কৰা হয় হলিউড ৰ'জভেল্ট হোটেলৰ এটি শাখাত। এই বঁটা প্ৰদান অনুষ্ঠানত উপস্থিত আছিল প্ৰায় ২৭০ জন দৰ্শক।

অস্কাৰ পুৰস্কাৰ লাভ কৰা প্ৰথমজন লোক হ'ল ইমিল জান্নিংচ। তেওঁ 'ডি লাষ্ট কমাণ্ড' (The Last Command) আৰু 'ডি ওৱে অফ্ অল ফ্লেছ' (The Way of All Flesh) নামৰ বোলছবি দুখনত কৰা অভিনয়ৰ বাবে শ্ৰেষ্ঠ অভিনেতাৰ সন্মান লাভ কৰিছিল।

২৯ সংখ্যক অস্কাৰ বঁটা প্ৰদান অনুষ্ঠান বিশেষভাৱে উল্লেখযোগ্য। ১৯৫৭ চনৰ ২৭ মাৰ্চ তাৰিখে এই বঁটা প্ৰদান অনুষ্ঠান সম্পন্ন হৈছিল। ইয়াতেই পোনপ্ৰথমবাৰৰ বাবে 'শ্ৰেষ্ঠ বিদেশী ভাষাৰ ছবি' শিতানটি অন্তৰ্ভুক্ত কৰা হয় আৰু তেতিয়াৰপৰাই ইয়াৰ পৰিসৰে সমগ্ৰ বিশ্বকে সামৰি লয়। ইয়াৰ আগলৈকে বিদেশী ভাষাৰ কথাছবিক 'স্পেছিয়েল এচিভমেণ্ট এৱাৰ্ডহে (Special Achievement Award) দিয়া হৈছিল।

এতিয়ালৈকে বহু কথাছবিয়ে বহুতো অস্কাৰ বঁটা পাবলৈ সক্ষম হৈছে। সেইবোৰৰ ভিতৰত আটাইতকৈ বেছি বঁটা পোৱা কথাছবি কেইখন হ'ল—বেন-হুৰ (১৯৫৬), টাইটানিক (১৯৯৭), ডি লৰ্ড অব দি ৰিংচ্ : ডি ৰিটাৰ্ণ অব দি কিং (২০০৩) (The Lord of The Rings : The Return of The King)। প্ৰতিখন কথাছবিয়ে বিভিন্ন শিতানত ১১টাকৈ অস্কাৰ পুৰস্কাৰ লাভ কৰিছিল।

১৯২৯/১৯৩০ আৰু ১৯৩০/৩১ চনত ৬ খনকৈ ছবিয়ে অস্কাৰ পুৰস্কাৰ লাভ কৰে যিটো আজিলৈকে সংখ্যাগত দিশত আটাইতকৈ কম। আকৌ ১৯৪৫ চনত সৰ্বাধিক ২১ খন ছবিয়ে অস্কাৰ পুৰস্কাৰ লাভ কৰে। ২০১৩ চনৰ ২৫ ফেব্ৰুৱাৰিত ৮৫ সংখ্যক অস্কাৰ বঁটা প্ৰদান কৰা হয়।

হলিউডৰ এজন প্ৰযোজক আৰু এজন প্ৰসাধন শিল্পীয়ে নিজৰ প্ৰয়াসেৰে ইৰাণৰ যুদ্ধৰপৰা ৬ জন আমেৰিকান নাগৰিকক উদ্ধাৰ কৰাৰ শিহৰণকাৰী কাহিনীৰে নিৰ্মাণ কৰা ছবি 'এৰ্গ' (Argo) ২০১৩ চনৰ অস্কাৰ বঁটা প্ৰদান অনুষ্ঠানত শ্ৰেষ্ঠ ছবি হিচাপে বিবেচিত হয়। এই ছবিখন বেন এফ্লেকৰদ্বাৰা পৰিচালিত। আনহাতে ষ্টিফেন স্পিলবাৰ্গৰদ্বাৰা পৰিচালিত 'লিংকন' (Lincoln) ছবিত অভিনয় কৰি ডেনিয়েল ডে লুইচে শ্ৰেষ্ঠ অভিনেতা আৰু 'ছিলভাৰ লাইনিংছ প্লে বুক' (Silver Linings Play Book) ছবিত অভিনয়েৰে জেনিফাৰ ল'ৰেন্সে শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা লাভ কৰে। 'জেংগ আনছেইনড' (Django Unchained) ছবিত অভিনয়ৰে শ্ৰেষ্ঠ সহ-অভিনেত্ৰীৰ বঁটা লাভ কৰে এনি হাথাকেই। সেইদৰে মাইকেল দানেকে পৰিচালিত অষ্ট্ৰিয়ান ছবি 'এম'ৰে' বিদেশী ভাষাৰ শ্ৰেষ্ঠ ছবি শিতানত অস্কাৰ জয় কৰে। মৌলিক চিত্ৰনাট্য শিতানত কুৱেণ্টিন টাইণ্টিন পৰিচালিত 'জেংগ' আনছেইনড' আৰু মৌলিক গীত শিতানত 'স্কাই ফল' (Sky Fall) ছবিৰ শীৰ্ষ সংগীত 'স্কাই ফল'ৰ বাবে এডেল এডকিন্ছ আৰু পল এপ ৱৰ্থে যুটীয়াভাৱে অস্কাৰ বঁটা লাভ কৰে।

২০১৩ চনৰ ২৫ ফেব্ৰুৱাৰিত অনুষ্ঠিত হোৱা ৮৫ সংখ্যক অস্কাৰ বঁটা প্ৰদান অনুষ্ঠানত অসমৰ সাংস্কৃতিক ইতিহাসত গৌৰৱময় অধ্যায়ৰ সূচনা কৰি অসম সন্তান আদিল হুছেইন অভিনীত 'লাইফ অৱ পাই' (Life of Pi) নামৰ ছবিখনে ৪টা অস্কাৰ বঁটা লাভ কৰে। অসমৰ অভিনেতাৰদ্বাৰা অভিনয় কৰা আৰু অস্কাৰ লাভ কৰা এইখন হ'ল প্ৰথম ছবি। ❍

# নতুন পৃথিৱীৰ সন্ধানত 'খ্রিষ্টফাৰ কলম্বচ'

■ গায়ত্রী শইকীয়া

পঞ্চদশ আৰু ষষ্ঠদশ শতিকাত ইউৰোপৰ কিছুমান লোকে নতুন বাণিজ্যিক পথৰ সন্ধান বিচাৰি আৰু মছলা, সোণ, ৰূপ সংগ্ৰহ কৰিবলৈ অজান সাগৰীয় পথেদি যাত্রা আৰম্ভ কৰিছিল। এই অভিযানত বাটকটীয়া আছিল স্পেইন আৰু পর্তুগাল নামৰ দেশ দুখন। খৃষ্টফাৰ কলম্বচ নামৰ এজন ইটালিৰ লোকে নতুন ঠাইলৈ অভিযান চলাই নিজৰ খ্যাতি বঢ়াবলৈ ইচ্ছা কৰিছিল। ভৱিষ্যতৰ ওপৰত বিশ্বাস কৰা কলম্বচে ভাবিছিল যে পুবলৈকে এটা নতুন পথৰ আৱিষ্কাৰ কৰাৰ ওপৰত তেওঁৰ ভাগ্য নিহিত হৈ আছে। তেওঁ তেওঁৰ আঁচনি পর্তুগীজ ৰজাৰ ওচৰত দাখিল কৰিছিল। কিন্তু তেওঁৰপৰা কোনো সঁহাৰি নাপাই শেষত স্পেইনৰ কর্তৃপক্ষৰ ওচৰত সহায় বিচাৰিলে। স্পেইনৰ সহায়-সহযোগ লাভ কৰি ১৪৯২ খ্রিষ্টাব্দত কলম্বচে পালছ্ বন্দৰৰপৰা অজান সমুদ্র যাত্রা আৰম্ভ কৰিলে।

সুদীর্ঘ আটলাণ্টিক মহাসাগৰ অতিক্রম কৰাৰ কাৰণে আৰু লক্ষ্যস্থানত উপনীত হোৱাৰ কাৰণে কলম্বচৰ বিশেষ যোগাৰ নাছিল। দলটো আছিল সৰু। 'চাণ্টামেৰিয়া' নামৰ এখন সৰু জাহাজ আৰু 'পিণ্টা' আৰু 'নিনা' নামৰ দুখন পাতল জাহাজ লৈ যাত্রা আৰম্ভ কৰিছিল।

তেত্রিশদিন সমুদ্রযাত্রা চলাই গৈ থাকিও নাৱিকৰ দলটোৰ কেৱল সাগৰ আৰু আকাশৰ বাহিৰে আন একো চকুত নপৰিল। দলটোৱে আৰু আগুৱাই যাবলৈ অনিচ্ছা প্রকাশ কৰি ঘূৰি আহিবলৈ বিচাৰিলে। ১৪৯২ খ্রিষ্টাব্দৰ ১২ অক্ট'বৰত তেওঁলোকে মাটি দেখা পাইছিল। কলম্বচে এই নতুন স্থলভূমিক ভাৰতবর্ষ বুলি ভাবিছিল। কিন্তু সেইটো আছিল বাহামাৰ গুৱানাহানি দ্বীপ। দ্বীপটোৰ বাসিন্দাসকলে তেওঁলোকক আদৰণি জনালে। বাসিন্দাসকলৰ সৰলতাই কলম্বচৰ মনত গভীৰভাৱে সাঁচ বহুৱাইছিল। কলম্বচে গুৱানাহানিত এখন পতাকা পুতিলে। তেওঁ প্রার্থনা অনুষ্ঠান পাতিলে আৰু স্থানীয় লোকৰ লগত কোনো আলোচনা নকৰাকৈ নিজকে 'ভাইচৰয়' ('ভাইচৰয়' ৰজাৰ সলনি ব্যৱহাৰ কৰা উপাধি) বুলি ঘোষণা কৰিলে। বৃহৎ দ্বীপ কিউবানাছকান (কিউবা, যিখনক তেওঁ জাপান বুলি ভাবিছিল) আৰু কিছুকেয়ালৈ আগবাঢ়িবৰ কাৰণে অভিযানকাৰীসকলে স্থানীয় বাসিন্দাসকলৰ সহযোগিতা ল'লে। কিন্তু লক্ষ্যস্থান পোৱাৰ আগতে অভিযানকাৰী দলটোৱে এটা দুর্ঘটনাৰ সন্মুখীন হ'ব লগা হ'ল আৰু হিংস্র কেৰিব জাতিৰ সন্মুখত পৰিল। উভটনি যাত্রা আৰু কষ্টদায়ক আছিল। কাৰণ জাহাজবিলাকৰ অৱস্থা বেয়া হৈ গৈছিল আৰু দলটো ভাগৰি পৰিছিল। গোটেই সমুদ্র যাত্রা বত্রিছ সপ্তাহ ধৰি চলিল। দক্ষিণ আমেৰিকাৰ প্রধান ভূমি আৰু উপকূলীয় অঞ্চলত কলম্বচে তেওঁৰ অভিযান সম্পূর্ণ কৰিলে। স্পেনিছসকলে গম পালে যে তেওঁলোকে যি ঠাই আৱিষ্কাৰ কৰিলে সেইখন এখন নতুন মহাদেশহে 'ভাৰতবর্ষ' নহয়। ফ্ল'ৰেন্সৰ ভূগোলবিদ আমেৰিগো ভেচপুচিয়ে নতুন ঠাইখনক এক 'নতুন পৃথিৱী' বুলি অভিহিত কৰিলে। পিছত তেওঁৰ নামানুসৰিয়ে ঠাইখনৰ নাম হ'ল—আমেৰিকা।

এঠাইৰপৰা আন ঠাইলৈ গৈ ঠাই আৱিষ্কাৰ কৰাই আছিল কলম্বচৰ মহান কার্য। আমেৰিকা যুক্তৰাষ্ট্রৰ এখন সৰু ঠাই আৰু দক্ষিণ আমেৰিকাৰ উত্তৰ-পশ্চিমৰ এখন দেশ 'কলম্বিয়া' কলম্বচৰ নাম অনুসৰিয়েই দিয়া হৈছে। ❍

## ফেব্রুৱাৰি ২০১৪ সংখ্যাৰ 'তোমালোকৰ বাবে প্রশ্ন'ৰ উত্তৰ

১। পাঞ্জাৱ (১৯৫২), ২। টার্ণিং পইণ্ট, ৩। কাইৰ', ৪। অমৰ সিংহ, ৫। জীৱন বৃত্ত।

## সঘনাই মনলৈ অহা প্ৰশ্ন

- **মাছৰ পিয়াহ লাগেনে?**

☞ কোনো জীৱৰ শৰীৰত যেতিয়াই পানীৰ পৰিমাণ কমি যায় তেতিয়াই তাৰ পানীৰ প্ৰয়োজন হয় আৰু পিয়াহ লাগে। মাছবো এনে অনুভৱ হ'ব পাৰে। কিন্তু লুণীয়া পানীৰ মাছ আৰু অলুণীয়া পানীৰ মাছৰ ক্ষেত্ৰত কথাটো বেলেগ। অলুণীয়া পানীৰ গাঢ়তা কম হোৱা বাবে মাছৰ দেহকোষৰ মাজেৰে আসৃতি ঘটি পানী মাছৰ দেহত প্ৰবেশ কৰে। এইদৰেই এনে মাছৰ পানীৰ প্ৰয়োজন পূৰ্ণ হয়। আনহাতে লুণীয়া পানীৰ গাঢ়তা বহু বেছি হোৱা বাবে এনে পানীত বাস কৰা মাছৰ গাৰপৰা আসৃতি ঘটি পানী ওলাই যায় আৰু মাছৰ দেহত পানীৰ অভাৱ ঘটে। অৰ্থাৎ মাছৰ পিয়াহ লাগে। এনে অৱস্থাত লুণীয়া পানীৰ মাছে মুখেৰে পানী গ্ৰহণ কৰি অতিৰিক্ত লৱণবোৰ ফুলৰ সহায়ত পৰিত্যাগ কৰে।

- **ঠাণ্ডাৰ দিনত ছুৱেটাৰ বা তেনেজাতীয় কাপোৰ খোলাৰ সময়ত ফট্‌ফট্‌কৈ সৰু সৰু শব্দ হয় কিয়?**

☞ ছুৱেটাৰটো পিন্ধি থকাৰ সময়ত বিভিন্ন কাৰণত গাত ঘঁহনি খাই থাকে আৰু খোলাৰ সময়তো ঘঁহনি খায়। ইয়াৰ বাবে স্থিতি বিদ্যুতৰ উৎপন্ন হয়। খোলাৰ সময়ত আহিত কণিকা কিছুমান বিপৰীতভাৱে আহিত পদাৰ্থবিধলৈ (ছুৱেটাৰ বা আন পদাৰ্থ) স্থানান্তৰিত হয়। এনে সময়ত আহিত কণিকাবোৰৰ বায়ুৰ কণিকাৰ লগত ঘৰ্ষণ হয় আৰু শব্দৰ সৃষ্টি হয়।

- **কটাৰী এখনৰ নালটো চুলে ঠাণ্ডা নালাগে কিন্তু কটাৰীখনৰ গাটো চুলে ঠাণ্ডা লাগে কিয়?**

☞ কটাৰীখন ধাতুৰে তৈয়াৰী আৰু কটাৰীৰ নালটো অপৰিবাহী পদাৰ্থ, কাঠ বা প্লাষ্টিক আদিৰে তৈয়াৰী। ধাতুৰ মাজেৰে তাপ পাৰ হৈ যায় কিন্তু কাঠ, প্লাষ্টিক আদিৰ মাজেৰে পাৰ হৈ নাযায়।

বস্তু এটা চুলে ঠাণ্ডা লাগিব নে গৰম লাগিব সেয়া ঠিক হয় কোনটো দিশত তাপৰ সঞ্চালন হয় তাৰ ওপৰত। সাধাৰণ অৱস্থাত বস্তু-বাহানিবোৰৰ উষ্ণতা শৰীৰৰ উষ্ণতাতকৈ কম হয়। কটাৰীখনৰ গাটো ধাতুৰে তৈয়াৰী হোৱা বাবে আমাৰ দেহৰপৰা তাপ কটাৰীলৈ সঞ্চালিত হয় আৰু আমাৰ ঠাণ্ডা লাগে। নালটো অপৰিবাহী পদাৰ্থৰে তৈয়াৰী হোৱা বাবে তাৰ মাজেৰে তাপৰ সঞ্চালন নহয় আৰু ঠাণ্ডা নালাগে।

- **কোমল তুলি এখনত শুলে কাঠৰ তক্তাত শোৱাতকৈ আৰাম লাগে কিয়?**

☞ কাঠৰ তক্তা এখনত শুলে আমাৰ শৰীৰৰ গোটেইখিনি অংশ কাঠত লাগি নাথাকে। আমাৰ ওজনৰ প্ৰতিক্ৰিয়া বলে কাঠত লাগি থকা অংশত ক্ৰিয়া কৰে। কোমল তুলি এখনত শুলে আমাৰ শৰীৰৰ বেছি অংশ বিছনাত লাগি থাকে আৰু প্ৰতিক্ৰিয়া বলে বেছি কালিৰ ওপৰত ক্ৰিয়া কৰে আৰু আমাৰ দেহত প্ৰয়োগ হোৱা চাপ হ্ৰাস পায়। তাৰ বাবেই আমাৰ বেছি আৰাম লাগে। ❍

**কুইজৰ উত্তৰসমূহ**

১। ভাৰ্চাই চুক্তি (১৯১৯ চনৰ ২৮ মে') ২। ১৮৯৭ চনৰ ১ মে' তাৰিখে ৩। ১৮৪০ চনৰ ৬ মে'ৰপৰা ৪। ১৯২১ চনৰ ১৮ জানুৱাৰি ৫। Times of Assam (1895, 5 January) ৬। পথৰুঘাটৰ ৰণ (১৮৯৪, ২৮ জানুৱাৰি) ৭। প্ৰেছিডেন্সী কলেজ ৮। কলকাতা (১৮৬২, ২ ফেব্ৰুৱাৰি) ৯। ১৯৫১ চন ১০। জনমভূমি (১৯৪৭, ৭ মাৰ্চ-১ম প্ৰকাশ) ১১। লৰ্ড মাউণ্টবেটেন ১২। কাৰ্ল লেণ্ডষ্টেইনাৰ ১৩। আশাপূৰ্ণা দেৱী ১৪। মহীশূৰ ১৫। ১৬৭৫ চনৰ ১০ আগষ্ট ১৬। বিজয়লক্ষ্মী পণ্ডিত ১৭। চৰ্দাৰ বল্লভভাই পেটেল ১৮। লক্ষ্মীনাথ বেজবৰুৱা (১৯১৬) ১৯। কলকাতা (১৯১১) ২০। ড° নিৰ্মলপ্ৰভা বৰদলৈ ২১। ড° হ'মি জাহাংগিৰ ভাবা ২২। জ'নাছ ছাল্ক (১৯৫৩) ২৩। ১৯৩৮ চনৰ ৪ আগষ্ট ২৪। চলচ্চিত্ৰ : 'ৰহস্যৰ বিত চকু', পৰিচালক : আলতাফ মজিদ ২৫। ড° কৈলাশ গোস্বামী (প্ৰাক্তন মুৰব্বী, গণিত বিভাগ, বি. বৰুৱা মহাবিদ্যালয়)

# চাৰিখন গ্ৰেণ্ডশ্লাম প্ৰতিযোগিতা

■ পলাশ কুমাৰ নাথ

**ইউ এছ অপেন :** চাৰিখন গ্ৰেণ্ডশ্লাম টেনিচ প্ৰতিযোগিতাৰ অন্যতম এখন টেনিচ প্ৰতিযোগিতা হ'ল ইউ এছ অপেন। ই পূৰ্বে ইউনাইটেড ষ্টেট অপেন টেনিচ ছেম্পিয়নশ্বিপ নামে পৰিচিত আছিল। যুক্তৰাষ্ট্ৰৰ নিউয়ৰ্কৰ কুইন্স চহৰৰ (ইউনাইটেড ষ্টেট্‌ছ টেনিছ এচ'ছিয়েছন) বিলি জিন কিং নেছনেল টেনিচ চেণ্টাৰত প্ৰতিযোগিতাখন অনুষ্ঠিত হয়। ১৮৮১ চনৰপৰা ১৯৭৪ চনলৈ এই প্ৰতিযোগিতা গ্ৰাছ ক'ৰ্টত অনুষ্ঠিত হৈছিল। তাৰ পাছত (১৯৭৫-১৯৭৭) ক্লে ক'ৰ্টত আৰু ১৯৭৮ চনৰপৰা বৰ্তমানলৈকে ডেক'টাৰ্ফ ক'ৰ্টত অনুষ্ঠিত হৈ আহিছে। প্ৰতি বছৰৰ আগষ্ট বা ছেপ্টেম্বৰ মাহত এই প্ৰতিযোগিতাখনি হয়। বৰ্তমান এই প্ৰতিযোগিতাৰ প্ৰাইজমাণি অৰ্থাৎ পুৰস্কাৰৰ মূল্য ৩৪,২৫২,০০০ মাৰ্কিন ডলাৰ।

**উইম্বলডন চেম্পিয়নশ্বিপ :** উইম্বলডন চেম্পিয়নশ্বিপ বিশ্বৰ আটাইতকৈ প্ৰাচীন টেনিছ প্ৰতিযোগিতা। ১৮৭৭ চনৰপৰা ইংলণ্ডৰ উইম্বলডন নামৰ চহৰত নিয়মিতভাৱে এই প্ৰতিযোগিতা অনুষ্ঠিত হৈ আহিছে। ১৮৮৪ চনৰপৰা মহিলাৰ ছিংগলছ শাখা আৰম্ভ হয়। উইম্বলডনেই একমাত্ৰ গ্ৰেণ্ডশ্লাম যিখন প্ৰাকৃতিক ঘাঁহৰ ক'ৰ্টত খেলোৱা হয়। ক্ৰীড়াৰ সময়সূচী অনুসৰি উইম্বলডন বছৰৰ তৃতীয়খন গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা। সচৰাচৰ গ্ৰীষ্ম কালত এই প্ৰতিযোগিতাখন অনুষ্ঠিত কৰা হয়। জুন মাহৰ শেষত আৰু জুলাই মাহৰ প্ৰথম দুসপ্তাহ ধৰি এই প্ৰতিযোগিতাখন অনুষ্ঠিত হয়। ২০১৩ চনত এই প্ৰতিযোগিতাৰ প্ৰাইজমানি আছিল ২৬,৫০০,০০০ ইউৰো।

**ফ্ৰেন্স অপেন :** বছৰৰ দ্বিতীয়খন গ্ৰেণ্ডশ্লাম হ'ল ফ্ৰেন্স অপেন। ৰোঁলা গেৰোঁ নামে খ্যাত এই টেনিচ টুৰ্ণামেণ্টখন ১৮৯১ চনৰপৰা আৰম্ভ হয়। ফ্ৰেন্স অপেনেই হ'ল ক্লে ক'ৰ্টত অনুষ্ঠিত হোৱা একমাত্ৰ গ্ৰেণ্ডশ্লাম। মে' মাহৰ শেষত আৰু জুন মাহৰ প্ৰথম দুসপ্তাহ ধৰি এই প্ৰতিযোগিতাখন চলে। এই গ্ৰেণ্ডশ্লাম প্ৰতিযোগিতাখন ফ্ৰান্সৰ পেৰিছ চহৰৰ ৰোঁলা গেৰোঁত অনুষ্ঠিত হয়। শাৰীৰিক দিশৰপৰা এই প্ৰতিযোগিতাখনিক আটাইতকৈ কঠিন গ্ৰেণ্ডশ্লাম হিচাবে অভিহিত কৰা হয়। ফ্ৰেন্স অ'পেনৰ ২০১৩ চনৰ প্ৰাইজমানি আছিল ২১,০১৭,০০০ ইউৰো।

**অষ্ট্ৰেলিয়ান অপেন :** অষ্ট্ৰেলিয়ান অপেন প্ৰতি বছৰে জানুৱাৰি মাহত অষ্ট্ৰেলিয়াৰ মেলবৰ্ণ পাৰ্কত অনুষ্ঠিত হয়। ১৯০৫ চনত এই প্ৰতিযোগিতাখন প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হয়। ১৯০৫ চনৰপৰা ১৯৮৭ চনলৈ গ্ৰাচ ক'ৰ্টত খেল অনুষ্ঠিত হৈছিল। কিন্তু ১৯৮৮ চনৰপৰা হাৰ্ড ক'ৰ্টত অনুষ্ঠিত হৈ আহিছে। এই প্ৰতিযোগিতাৰ দুখন প্ৰধান ক'ৰ্টৰ নাম হ'ল 'ৰডলেভাৰ আৰিণা আৰু হাইচেন্স আৰিণা। ২০১৪ চনত এই প্ৰতিযোগিতাৰ প্ৰাইজমানি আছিল ৩৩,০০০,০০০ অষ্ট্ৰেলিয়ান ডলাৰ। ❍

**শব্দৰ অৰ্থ আৰু ভাঙনি :**

**গ্ৰেণ্ডশ্লাম :** এই চাৰিখন প্ৰতিযোগিতাত বিশ্বৰ নামী-দামী তাৰকা খেলুৱৈসকলে ভাগ লয়। ইয়াৰ প্ৰাইজমানি আন প্ৰতিযোগিতাৰ তুলনাত বেছি। সেয়েহে এই কেইখন প্ৰতিযোগিতাক গ্ৰেণ্ডশ্লাম বোলা হয়।


**গ্ৰাছ ক'ৰ্ট :** গ্ৰাছ ক'ৰ্টবিলাক ৰাই (rye) ঘাঁহ গজাই তৈয়াৰ কৰা হয়।

**হাৰ্ড ক'ৰ্ট :** এই ধৰণৰ ক'ৰ্টত কংক্ৰিটৰ ওপৰত চিন্থেটিক (Synthetic) বা এক্ৰাইলিকৰ (Acrylic) তৰপ থাকে।


**ডেক'টাৰ্ফ ক'ৰ্ট :** এনে ধৰণৰ ক'ৰ্টত কংক্ৰিটৰ ওপৰত এক্ৰাইলিক, ৰাবাৰ আৰু চিলিকাৰ মিশ্ৰৰ তৰপ থাকে।

**ক্লে' ক'ৰ্ট :** এনে ধৰণৰ ক'ৰ্ট গেদীয় শিল (Shale) সাধাৰণ শিল আৰু ইটাৰ গুৰিৰে নিৰ্মাণ কৰা হয়।

১ অষ্ট্ৰেলিয়ান ডলাৰ = ৫৫.১ টকা; ১ মাৰ্কিন ডলাৰ = ৬২.৩ টকা, ১ ইউৰো = ৮৫.৪ টকা (ফেব্ৰুৱাৰি ২০১৪ৰ হাৰত)




ইউ এছ অ'পেনৰ ক'ৰ্ট, প্ৰসংগ পৃষ্ঠা ৩২




অষ্ট্ৰেলিয়ান অ'পেনৰ ক'ৰ্ট, প্ৰসংগ পৃষ্ঠা ৩২




ফ্ৰেন্স অ'পেনৰ ক'ৰ্ট, প্ৰসংগ পৃষ্ঠা ৩২



উইম্বলডনৰ ক'ৰ্ট, প্ৰসংগ পৃষ্ঠা ৩২



কলম্বচৰ নৌ যাত্ৰা, প্ৰসংগ পৃষ্ঠা ৩০


# এছিয়া মহাদেশৰ কেইখনমান জাতীয় পতাকা



নেপাল


ভুটান


আফগানিস্তান


শ্ৰীলংকা


পাকিস্তান


জাপান


চীনদেশ


ম্যানমাৰ


বাংলাদেশ


উত্তৰ কোৰিয়া


দক্ষিণ কোৰিয়া


থাইলেণ্ড


ছিংগাপুৰ



ইৰাক


ইৰাণ